চান্দমামা

ফেব্রুয়ারি ১৯৮৬



“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো…
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইয়ে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ' পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়পি
পৰাটোও
ৰোধ কৰে।

CBM/5687/AS

ক্লিয়াৰেচিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

লৰা-ছোৱালীৰ পুৰস্কাৰ আচনি

এইটো আপোনাৰ কৰ্ত্তব্য যে আপোনাৰ লৰা-ছোৱালীয়ে যেতিয়া বিশ্ব-জগতত ভৰি দিয়ে তাত যেন প্ৰথম শাৰি পায়।

আপোনাৰ "অকনমানী"টো আৰু শিশু হৈ থকা নাই। তেওঁ বিশ্ব-জগতৰ লগত সন্মুখীন হব লাগিব। তাৰ বাবে যথেষ্ট প্ৰস্তুতিৰ প্ৰয়োজন। স্বাভাৱিকতে আপুনি অভিভাৱক হিচাবে আপোনাৰ সন্তানেৰে সফলো কৰিব বিচাৰে।

এটা শুদ্ধ সিদ্ধান্ত লওক। তেওঁৰ ভবিষ্যতৰ বাবে "লৰা-ছোৱালী পুৰস্কাৰ আচনি"ৰ দ্বাৰা ধন জমা কৰক। এটা বিশেষ আচনি য'ত ধন জমা বৃদ্ধি পাব আপোনাৰ শিশুৰ লগত।

আপুনি জমা কৰিব পাৰে আপোনাৰ ইচ্ছা অনুসৰি। প্ৰত্যেক বছৰি, অৱশ্যে আপুনি যদি বিচাৰে। আপোনাৰ লৰাটো যেতিয়া ২১ বছৰ হব অথবা আপোনাৰ ছোৱালীজনী যেতিয়া ১৮ বছৰ হব তেতিয়া এটা বেছ মোটা অংক জমা হবগৈ।

তাৰোপৰি প্ৰত্যেক বছৰে আকৰ্ষণীয় পৰিমানৰ টকাৰ লটাৰি খেলা হয়।

সেয়েহে আপোনাৰ শিশুটোক এটা অসাধাৰণ পুৰস্কাৰ দিয়ক — এটা ভবিষ্যত।

আত্মীয়লোক (পিতৃ-মাতৃৰ উপৰিও) আৰু বন্ধু-বান্ধৱ সকলো এই আচনিত বিনিয়োগ কৰিবলৈ আহ্বান কৰা হৈছে যি শিশুৰ ভবিষ্যতৰ মঙ্গল লয়।

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

(এটা সাৰ্বজনিক খণ্ডৰ বিত্তীয় সংস্থা)

বোম্বাই • কলিকতা • মাদ্ৰাজ • নতুন দিল্লী
আহমদাবাদ • গুৱাহাটী • জয়পুৰ • কানপুৰ • লুধিয়ানা
ত্ৰিচুৰ • বিজয়ৱাদা • ভুবনেশ্বৰ।

Sista's-UTI-657/85 ASM

Will you be there

Puri. The temple of Lord Jagannath. Garland around her neck and vermillion on her forehead, the 9-year-old bride of the Lord pledges her faith to Him amidst all the pomp and ceremony of a true Oriya wedding. No longer an ordinary girl, she is now the earthly consort of Puri Jagannath ...

The fascinating story of the dasis of Puri. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What light does Ramanujam's 'lost notebook' throw on Number Theory?

And more ...

Fascinating articles month after month, on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little known places and exotic lands.

From the publishers of Chandamama

for the Devadasi wedding?

Updates and flashbacks on science and technology.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

All of which makes the Heritage a fascinating way to catch up with the past and the present.

A fiction bonanza in every issue

Every issue of the Heritage carries at least three short stories and a novelette, written by some of the most well known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include

Mulk Raj Anand.
M N Das.
M P Pandit.
K A Abbas.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72/- towards annual subscription.

Name : ....

Address : ....

....

Mail your subscription to : **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP-1825

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 95 2016 AS

চান্দমামা

সংস্থাপক: চক্ৰপাণি

সম্পাদক: বি নাগিৰেড্ডি

ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদানকাৰী প্ৰতিযোগীসকলে নিজ হস্তাক্ষৰেৰে লিখি যোগদান কৰিব, বয়স অৱশ্যেই উল্লেখ কৰিব, এজন প্ৰতিযোগীয়ে এখনতকৈ অধিক কাৰ্ড নপঠাব, ঠিকনা শুদ্ধ তথা নিৰ্ভুলভাৱে লিখিব, কোন সংখ্যাৰ বাবে প্ৰতিযোগিত সেই সংখ্যাটোৰ স্পষ্ট উল্লেখ কৰিব। এই বিষয়ে ব্যক্তিগত পত্ৰালাপ কৰা নহয়। এই ঠিকনালৈ কোনেও টকা-পইচা নপঠাব।

অমৰ-বাণী

উদ্ধৰত্যুত্তমো বংশম্ মধ্যমঃ সমুপেক্ষতে।
অধমস্তু কুলে জাতঃ নাশয়ত্যখিলম্ কুলম্ ॥

[যিজন উত্তম, তেওঁ নিজৰ বংশক সমৃদ্ধ কৰে ; মধ্যমে নিজ বংশৰ বিষয়ে মূৰ নঘমায়, আৰু অধমে বংশৰ সৰ্বনাশ কৰে।]

বছৰ: ১০ ফেব্ৰুৱাৰি ১৯৮৬ সংখ্যা: ১১

খনে: ২.৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০.০০ টকা



FSA/JIL/1/85-ASM

চান্দমামাৰ খুতুৰা-খবৰ

ফ্লায়িং ছছাৰ্স



আন গ্ৰহৰপৰা উৰি অহা ছছাৰ্স নামৰ যি যানাকৃতি বস্তু কেতিয়াবা কেতিয়াবা পৰিলক্ষিত হয়, এইবিলাকৰ দাঁতিত বহুসংখ্যক গাঁত থকা বুলি এলেন ক্ৰিস্টাল নামৰ এগৰাকী আমেৰিকান মাইলাই কৈছে। এই গাঁতবিলাকৰপৰা হেনো মেঘৰ সৃষ্টি হয় আৰু তাৰ ফলতহে হেনো ফ্লায়িং ছছাৰ্স নামৰ গ্ৰহান্তৰৰ যান-বিলাকৰ ফটো লোৱা সম্ভৱ হোৱা নাই।

সৌৰশক্তিৰে জাহাজ চলিব

জাপানৰ কেনিছ হোৰি নামৰ নাবিক এজনে সৌৰশক্তিৰে জাহাজ চলাই প্ৰশান্ত মহাসাগৰ পাৰ হ'ল। হনলুলুৰপৰা ৬৩০০ কিলোমিটাৰ দূৰৈত অৱস্থিত চিচিজিমালৈ যাওঁতে তেওঁ পয়সত্তৰ দিন সময় লৈছিল।

এছিয়াৰ সৰ্ববৃহৎ দলং



এছিয়াত আটাইতকৈ দীঘল আৰু পৃথিৱীত তৃতীয় দীৰ্ঘ দলংটো মালয়েছিয়াত নিৰ্মিত হৈছে। ১৩৫ কিলোমিটাৰ দীঘলীয়া এই দলংখনে পেনাং দ্বীপৰ মূল ভূখণ্ডৰ সৈতে সংযোগ সাধন কৰিছে।

জানিবলগীয়া

১। পৃথিৱীৰ আটাইতকৈ ডাঙৰ বুদ্ধমূৰ্তি ক'ত আছে?

২। বুদ্ধৰ দাঁত ক'ত ৰক্ষিত হৈছে?

৩। পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰিছে বুলি কোনে কৈছিল?

৪। উইলিয়াম উইল বৰপ'ৰ্স নামৰ মানৱতাবাদীয়ে কিহৰ কাৰণে সংগ্ৰাম কৰিছিল?

৫। এছিয়াৰ ক'ত আটাইতকৈ অধিক সংখ্যক খ্ৰীষ্টধৰ্মাৱলম্বী মানুহ আছে?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

পুৰাণ-গাথা

অংগাৰক

সুপ্ৰাচীনকালত অংগাৰক নামৰ এটা ৰাক্ষস আছিল। সি বিভিন্ন দেশৰ ৰাজকুঁৱৰী সকলক অপহৰণ কৰি পাহাৰেৰে আগুৰা অৰণ্যত বন্দী কৰি থৈছিল।

এই কালছোৱাত, উজ্জয়িনীৰ যুৱৰাজ মহাসেনে পৰাশক্তি প্ৰাপ্তিৰ বাবে কঠোৰ তপস্যা কৰি বৰ হিচাপে এখন খড়্গ পালে।

এবাৰ চিকাৰলৈ ওলাওঁতে এটা বিৰাট আকাৰৰ ভালুকে মহাসেনৰ ৰথ ঠেলি দিলে। মহাসেনে সেই ভালুকটোক কাঁড়েৰে বিদ্ধ কৰিলে, কিন্তু ভালুকটোৰ একো অনিষ্ট নহ'ল, ভালুকটো পলাই গ'ল।

মহাসেনে ভালুকটোক বিচাৰি অৰণ্যৰ বিভিন্ন প্ৰান্ত ঘূৰি, গধূলিৰ আগে আগে এটা গুহাৰ ওচৰলৈ গ'ল, আৰু গুহাৰপৰা মানুহৰ মাত ওলাল।

নাৰীকণ্ঠই কৈ আছিল, "দেউতা, তুমি ভালুকৰ ভেশ লৈ থকালৈকে তোমাক কোনেও মাৰিব নোৱাৰে। কিন্তু তুমি নিজৰ ৰূপত যেতিয়া ওলাবা তেতিয়া কোনোবাই আক্ৰমণ কৰে যদি—কি কৰিবা ?"

"এইবোৰ কথাত তুমি মূৰ নঘমাব। মোক কোনেও কোনো অস্ত্ৰেৰেই বধিব নোৱাৰে। মোৰ দেহ বজ্ৰৰ দৰে। কেৱল বাঁও হাতখনহে অলপ ঘৃণীয়, আৰু তাৰ কাৰণে ৰক্ষাকৱচো লৈছোঁ।" অংগাৰকে ক'লে।

এই কথা শুনি মহাসেনে বুজি পালে যে সেই ভালুকটো আছিল প্ৰকৃততে অংগাৰক। মহাসেনে গুহাৰ দুৱাৰমুখত বৈ থাকিল। ৰাতিপুৱা অংগাৰক গুহাৰপৰা ওলোৱামাত্ৰেই মহাসেনে খড়্গেৰে অংগাৰকৰ বাঁও হাতখন কাটি পেলালে আৰু তৎক্ষণাৎ অংগাৰকৰ মৃত্যু হ'ল। এই গুহাত থকা বন্দিনী ৰাজকুঁৱৰীসকলক মহাসেনে মুক্তি দিলে, আৰু অংগাৰকৰ অপূৰ্বসুন্দৰী কন্যাক বিবাহ কৰিলে।

পতন

আৰাবল্লী পৰ্বতৰ এমূৰত কৃষ্ণচন্দ্ৰ নামৰ এগৰাকী পণ্ডিত আছিল। তেওঁ তাত এখন টোল পাতিছিল। তেওঁৰ শিক্ষাদানৰ পদ্ধতি আছিল অতি উন্নত। সেয়েহে, কেৱল দেশৰে নহয়, বিদেশৰপৰাও এই টোলত অধ্যয়ন কৰিবলৈ ছাত্ৰ আহিছিল।

এদিন সাঁজ লাগি ভগাৰ পাছত টোলৰ অদূৰত থকা এজোপা গছৰ ওচৰত হৈ-চৈৰ শব্দ শুনি পণ্ডিত কৃষ্ণচন্দ্ৰ গছ-জোপাৰ ওচৰলৈ গ'ল। তাত এজন ছাত্ৰক আন কেইজনমান ছাত্ৰই শাস্তি দি থকা দেখি কৃষ্ণচন্দ্ৰই এই বিষয়ে ছাত্ৰইতক সোধাত এজন ছাত্ৰই ক'লে, "গুৰু মহাশয়, আমি সদায় এঠাইত আম লুকাই থওঁ, আৰু ই প্ৰতিদিনে আম চুৰি কৰি খায়। সি আমাৰপৰা আম খুজি খোৱাৰ কথা আমি বহুবাৰ কোৱা সত্বেও সদায় চুৰিহে কৰে।"

পাছদিনা পণ্ডিত কৃষ্ণচন্দ্ৰই সকলো ছাত্ৰক এটা কাহিনী ক'লেঃ

বিশ্বসংসাৰত সবাতোকৈ চঞ্চল হ'ল পানী। সূতাৰ দৰে বিন্ধা পালেও তাতে পানী সোমায়গৈ। মানুহৰ পতনো পানীৰ দৰেই। মানুহৰ মন দুৰ্বল হ'লে পানীৰ দৰেই তাৰ পতন ঘটে। আৰু, এই পতন এবাৰ আৰম্ভ হ'লে তাক আৰু ভেটা দিব নোৱাৰি। পতনৰ পৰিণতি হ'ল সৰ্বনাশ। মই এইদৰে কোৱাত তোমালোকে চাগে বুজাত টান পাইছা। মই তোমালোকৰ আগত অমল নামৰ এটি ল'ৰাৰ কাহিনী কওঁশুনা।

অমস আছিল বুদ্ধিমান ল'ৰা। কিন্তু

নীলিমা ভট্টাচাৰ্য্য



বন্ধু-বান্ধৱৰ প্ৰভাৱত পৰি সি সকলোৰে আগচকুৰ কণ্টক হৈ উঠিল। সি কাৰো হাক-বচন নুশুনা-নমনা হ'ল, পঢ়া-লিখা নকৰা হ'ল, দিনটো টকচালি কৰি ফুৰি থাকিল। আৰু এইদৰে টাবুৰি-ভাবুৰি কৰি কৰি তে-লগাজটো হৈ উঠাৰ অন্তত এদিন সি হাত খৰচৰ পইচাৰ বাবে হাত-ঘালিবলৈ ধৰিলে। লাহে লাহে সি চুৰিবিদ্যাত বেছ পাকৈত হৈ উঠিল।

অমলহঁতৰ দেশৰ ৰজা আছিল অতি দেৱ-দেৱী ভক্ত। তেওঁৰ প্ৰচুৰ ব্যয় কৰি দেৱী-মন্দিৰ সাজিছিল আৰু মন্দিৰত দেৱীৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰিছিল। মন্দিৰটো শ্বেত পাথৰেৰে নিৰ্মাণ কৰা হৈছিল। দেৱীক যথোপযুক্তভাবে সজাবলৈ ৰজাই প্ৰচুৰ পৰিমাণে সোণৰ অলংকাৰ অনালে। এই অলংকাৰ সমূহৰ মাজত আটাইতকৈ মূল্যৱান আছিল এডাল বাখৰ খটোৱা সোণৰ হাৰ, হাৰডাল আছিল নৱৰত্ন-খচিত। মুক্তা, হীৰা আদিৰে খচিত এই হাৰডালৰ মূল্য কমেও আছিল এক কোটি টকা। এই হাৰডাল য'ত থাকিব, তাত কেতিয়াও অভাৱ-অনাটন নহ'ব বুলি প্ৰচাৰিত হৈছিল আৰু ৰাইজৰ মনত এই বিশ্বাস দ'কৈ শিপাইছিল। প্ৰতি বছৰ একেৰাহে নদিন ধৰি দেৱীৰ পূজা অনুষ্ঠিত হৈছিল।

এইবাৰ এই পূজা তথা উৎসৱলৈ আহি কালনাথ নামৰ বিদেশী ৰজা এগৰাকীয়ে দেৱীৰ ডিঙিত থকা মহামূল্য হাৰডাল দেখা পাই বিস্ময়ত থৰ হৈ পৰিল। উৎসৱ শেষ হোৱাৰ অন্তত ৰজা কালনাথ তেওঁৰ ৰাজ্যলৈ উভতি গ'ল ; কিন্তু এই মহামূল্যৱান হাৰডালৰ কথা তেওঁ মুহূৰ্তৰ বাবেও পাহৰিব নোৱাৰিলে। এই হাৰ কেনেকৈ আত্মসাৎ কৰিব পাৰি—দিনে-নিশাই কালনাথে সেই কথা ভাবি থাকিল।

ভাবি ভাবি কেলেপা লগা কালনাথে তেওঁৰ আটাইতকৈ ভাল গুপ্তচৰটোক সেই

মন্দিৰপৰা হাৰডাল চুৰি কৰি আনিবলৈ পঠালে। ৰজা কালনাথৰপৰা উপহাৰ পোৱাৰ লোভত গুপ্তচৰটোৱে এই কাম কৰাত মান্তি হ'ল।

কালনাথৰ গুপ্তচৰ কন্ধিয়াই মন্দিৰৰ পুৰোহিতক বহুখিনি ধন-সোণ দিয়াৰ প্ৰতিশ্ৰুতিৰে সৈমান কৰালে। পুৰোহিতে গুপ্তচৰ কন্ধিয়াক এই চুৰিত এই চৰ্তত সহায় কৰিবলৈ মান্তি হল যে হাৰডাল পুৰোহিতে নিজ হাতেৰে সুছুব। এতেকে তেওঁকো হেনো পাপে নোছাৱে। পাছ-দিনা ৰাতিৰ পৰতে দুয়ো মিলি হাৰডাল চুৰি কৰিব বুলি খাটাং কৰিলে।

সেইদিনা অমলে সাঁজ লাগি ভগাৰ সেই মন্দিৰৰ কাষ চাপিল। সি দূৰৰপৰা তাত মন্দিৰৰ পুৰোহিত আৰু গুপ্তচৰটোক দেখা পালে। ঃইমান ৰাতি পুৰোহিত কিয় মন্দিৰৰ সোমাইছেগৈ— ? অমলে ভাবিলে। কৌতূহলী অমলে আন্ধাৰৰ গাত ভেজা দি কোনেও নেদেখাকৈ থিয় হৈ থাকিল তাত। অলপ পাছত— পুৰোহিত দেৱীৰ বিগ্ৰহৰপৰা হাৰডাল সোলোকাই ল'বলৈ ধৰোঁতেই পিছফালৰ-পৰা অমলে কৈ উঠিল, "আপুনি কি কি কৰিছেনো পুৰোহিত ডাঙৰীয়া ?"

আচম্বিতে এই কথা শুনি পুৰোহিতে ধাৰৰ নল কঁপাদি কঁপিবলৈ ধৰিলে।

হাৰডাল হাতত লৈ অমলে পুৰোহিতক





ক'লে, "ভয় নাখাব। হাৰডাল বেচিব, নহয় জানো ? বেয়া কথা নহয়। পিছে—সৌ মানুহজন কোন ক'বনে ?"

পুৰোহিতে অমলক সকলো কথা ক'লে। শুনাৰ পাছত অমলে ক'লে, "এটা বিদেশী গুপ্তচৰক হাৰডাল দিয়ে কিয় ? আহক—আমি দুয়ো মিলি হাৰডাল বেচি ধনখিনি ভগাই লওঁ।"

তাৰ পাছত পুৰোহিত আৰু অমলে গুপ্তচৰটোক ধৰি, মাৰি পেলাই, মন্দিৰৰ দুৱাৰৰ চাবিপাট তাৰ কাষত পেলাই থৈ তাৰপৰা গুচি গ'ল।

বহু দূৰলৈকে খোজ কঢ়াৰ পাছত পুৰোহিতে ভাবিলে ঃ মই এই কন্ধ-পাত হোৱা বদমাছ ল'ৰাটোক যদি কেনেবাকৈ মাৰি পেলাব পাৰোঁ তেনেহ'লে আটাই-খিনি ধন দেখোন মই অকলেই ভোগ কৰিব পাৰিম।"

এই একেটা কথাকে অমলেও ভাবি আছিল। খোজ কাঢ়ি কাঢ়ি উৱাই ৰাতি পুৱাই গ'ল। সিহঁতে খোৱাবস্তু কিনিলে আৰু তাৰ পাছত এঠাইত বহি দিলে। খোৱাৰ আগতে অমল গ'ল হাত-মুখ ধুই আহিবলৈ। আৰু সেই ছেগতে পুৰোহিতে অমলৰ খোৱাবস্তুত বিহ মিহলাই দিলে। তাৰ পাছত পুৰোহিতো গ'ল হাত-মুখ ধুবলৈ, আৰু অমলেও পুৰোহিতৰ খোৱাবস্তুত বিহ মিহলাই দিলে।

তাৰ পাছত দুয়ো খোৱাবস্তু খালে, আৰু লগে লগে দুয়ো মৃত্যুমুখী হ'ল।

এই কাহিনী কোৱাৰ অন্তত পণ্ডিত কৃষ্ণচন্দ্ৰই তেওঁৰ ছাত্ৰ তথা শিষ্যহঁতক ক'লে, "পুৰোহিত আৰু অমল আচলতে বেয়া মানুহ নাছিল। কিন্তু পতনৰ লা-লক্ষণে দেখা দিয়াৰ লগে লগে দুদিনতে সিহঁতৰ সৰ্বনাশ হ'ল।"

গুৰুৰ কথা শুনি শিষ্যহঁতে জ্ঞানলাভ কৰিলে। আম চুৰ কৰি খোৱা ল'ৰাটিয়ে

কান্দি কান্দি গুৰুক ক'লে, "মই মোৰ অপৰাধ বুজি পালোঁ, আগলৈ কেতিয়াও এনে কাম নকৰোঁ মই !"

শিষ্যসকল গুচি যোৱাৰ পাছত পণ্ডিত কৃষ্ণচন্দ্ৰৰ পৰিবাৰে কৈ উঠিল, "বেচেৰা অমল আৰু পুৰোহিত সঁচাকৈয়েই বৰ দুৰ্ভগীয়া।"

কৃষ্ণচন্দ্ৰই হাঁহি মাৰি ক'লে, "পুৰোহিত বাস্তৱিকেই দুৰ্ভগীয়া, পিছে—অমল কিন্তু ভাগ্যৱান আছিল।"

"তাৰ মানে— ?" পণ্ডিতৰ পৰিবাৰে পণ্ডিতক সুধিলে।

"বৃদ্ধ পুৰোহিত মৰিল কিন্তু অমলৰ মৃত্যু হোৱা নাছিল। সেই বাটেদি গৈ থকা চিকিৎসাৰ জ্ঞানসম্পন্ন এগৰাকী ধৰ্মাত্মাই অমলক মৃত্যুমুখৰপৰা ৰক্ষা কৰিছিল।" কৃষ্ণচন্দ্ৰই ক'লে।

"কিন্তু অমলে যে দুজন মানুহক মাৰি পেলালে—তাৰ পৰাচিত নহ'ল যে— ? কেনেকৈনো তেন্তে ধৰ্মৰক্ষা হ'ল ?" পণ্ডিতৰ পৰিবাৰে ক'লে।

এই কথাৰ উত্তৰত কৃষ্ণচন্দ্ৰই ক'লে, "প্ৰায়শ্চিত্ত নোহোৱা নহয়, হৈছিল। সেই ধৰ্মাত্মাই অমলক তেওঁৰ শিষ্য হিচাপে লৈ, এবছৰ কাল অমলক নিৰ্জন গুহাত থাকিবলৈ দিছিল। তাৰ পাছতহে ধৰ্মাত্মাই অমলক জ্ঞান দান কৰিছিল। পৰৱৰ্তীকালত সেই অমল পণ্ডিত কৃষ্ণচন্দ্ৰ নামেৰে খ্যাত হ'ল।"

এই কথা শুনি কৃষ্ণচন্দ্ৰৰ পৰিবাৰ হতবাক হ'ল। তেওঁ নিজক কোৱাদি ক'লে, "আপুনি ! আপুনিয়েইনে সেই অমল ! তেনে'হলে,—নৰৰত্ন-খচিত সেই গোসাঁনীৰ হাৰডাল ক'ত গ'ল ?"

"মোৰ গুৰুৱে সেই হাৰডাল পাছ-দিনাই ৰজাক দিছিলগৈ। মোৰ গুৰুৰ প্ৰচেষ্টাতহে দেশৰ ৰজাই মোক পতনৰ-পৰা উদ্ধাৰ কৰি পুনৰ্জন্ম দিছিল।"

মাছ, কেঁকোৰা, মানুহ

দুখীয়াৰো দুখীয়া তাৰকে হাতত আনি পেটত খাই কথমপি পেট প্ৰৱৰ্তাইছিল। কিন্তু তাৰ ঘৈণীয়েক তাইলুকীয়া তৰাই দিনৰ দিনটো লোকলৈ বুলি হুল চাঁচি ফুৰিছিল। সদায় তাই আনক টেপৰ ঠুকা দিয়ে, আৰ কথা তাক কৈ টেপৰ ...তাক কৈ টেপৰ লগায়। আৰু কাজিয়া-পেচালতো তাই অতিপাত পাকৈত।

এদিন তৰাৰ ম'হজনীয়ে চুবুৰীয়া ৰসিকহঁতৰ বাৰীত থকা শাক-পাচলি আৰু ফুলপুলিবোৰ খাই পেলালে। তৰাৰ ম'হজনীয়ে এই কাণ্ড কৰা শুনি ৰসিকৰ প্ৰচণ্ড খং উঠিল। কিন্তু তথাপি ৰসিকে একো নক'লে। কিয়নো, কিবা ক'লেই যে তৰাই তাক তেভূত কৰিব, সেই কথা ৰসিকে জানেই। তেতিয়া খেতি-বাতি কাক বোলে তাই তাক পানা পানীকৈ শিকাইহে এৰিব। পিছে— ৰসিকো সাত বিছুৰ সৈয়াকণী। তৰাক ফৰমুটিয়াবলৈ ৰসিকে তাৰ খেতি-বাৰীত কেইজোপামান অতি বিষাক্ত গছৰ পুলি বড়িয়াকৈ ৰুই থ'লে।

কিছুদিনৰ অন্তত সেই বিষাক্ত গছৰ পুলিবোৰ আৰু অন্যান্য ফুলপুলিবোৰো লহপহীয়া হৈ উঠিল। তৰায়ো তাইৰ ম'হজনীক তাতে মেলি দিলে। ৰসিকৰ উদ্দেশ্যো সফল হ'ল। খাইকহ ম'হজনীয়ে ঢাহি-মুহি খাই, পাছদিনা মৰিল।

তৰাই গিৰিয়েকক ক'লে, "এইখন হিংসাকুৰীয়া গাঁৱত থকাৰ আৰু মন নাই, ব'লা, আমি আন গাঁৱলৈ গুচি যাওঁ।"

"এ—গ'ল কথা গুচিল, এইবোৰ

লীলা বৰঠাকুৰ

কথাত বলিয়া হৈ কী লাভ? আন গাঁৱলৈ গ'লে আমি আমাৰ ম'হজনীক ঘূৰাই পামনে বাৰু? এতেকে এই কথাত হাই-হুই নকৰি মনে মনে থকাই ভাল।"

তাৰকৰ কথা শুনি তৰাই খুটি-তাল বাই কৈ উঠিল, "চোৱা, এইখন গাঁও নহয়, যমালয়হে। যমালয়ত থকাতকৈ যেইকোনো জেগাত থকা ভাল। মই আৰু মুহূৰ্তমানো ইয়াত নাথাকোঁ। মই তোমাকো আমাৰ গাঁৱলৈ লৈ যাম।"

আৰু তৰ্ধনি খোৱা তাৰক পাছদিনাই তৰাৰ সৈতে ওলাল। গৈ গৈ বহু দূৰলৈ যোৱাৰ অন্তত এজন জালোৱাক লগ পালে সিহঁতে। জালোৱাই মাছ মাৰি মাছবিলাক এটা পাত্ৰত থৈ দিছিল। তৰাই তাইৰ গিৰিয়েক তাৰকক ক'লে, "চোৱাচোন, হাত ভুখনেৰে কিমান যে কাম কৰিব পাৰি। কিমান যে মাছ মাৰিলে চোৱাহি—।" এই বুলি কৈয়েই তাই মাছৰ পাত্ৰটোৰ ভিতৰত হাত ভৰাই দিলে।

কিন্তু লগে লগেই তৰাই 'আই ঐ মৰিলোঁ ঐ' বুলি চিঞৰ মাৰি হাতখন পাত্ৰটোৰপৰা উলিয়াই আনিলে। তাইৰ হাতত কেঁকোৰাই চিকুটি দিছিল। তৰাই জালোৱাক কৈ উঠিল, "হেৰাহে, তুমিনো কেনেকুৱা নদীয়াল? মাছ আৰু কেঁকোৰাক একেলগে ৰাখিছা কিয়?" তৰাই এই জালোৱাকো জোকোৰা মাৰি উঠিলে।

অচিনাকি কোনোবাজনীয়ে যে এইদৰে জুই জাল পানী ঢাল কৰিব, জালোৱা কেশৱে কল্পনাও কৰিব পৰা নাছিল।

তাৰ পাছত, তৰা যেতিয়া ৰ'ল, তেতিয়া কেশৱে লাহেকৈ ক'লে, "পানীত মাছ আৰু কেঁকোৰা দেখোন একেলগেই থাকে। মই একেটাই পুখুৰীৰেপৰাই মাছো পালোঁ, কেঁকোৰাও পালোঁ। সিহঁতে কোনেও কাকো আক্ৰমণ নকৰে। আত্মৰক্ষা যিকোনো প্ৰাণীৰ ধৰ্ম, আত্মৰক্ষাৰ কাৰণেহে কেঁকোৰাই আপোনাক চিকুটি দিছিল।"

"মনে মনে থাকা—" তৰাই ডাবি মাৰি কৈ উঠিল, "সিয়ানৰ পোৱে মোক গিয়ান দিবলৈ আহিছা!"

কেশৰে হাঁহি মাৰি ক'লে, "মানুহৰ মাজতো তপত ভাতৰ ধোঁৱাই খোৱাবোৰ আছে, কেঁকোৰাৰ মাজতো থাকিব পায়। নৈ, পুখুৰী, বিল, ডোবা—য'তেই নাথাকক ভাল ভালেই, বেয়াবোৰ সদায়েই বেয়া। আৰু কথাতে বোলে—ভালে পায় ভালক, আৰু জাবৰে পায় খালক।"

গাঁও এৰি গুচি যাবলৈ মন নথকা তৰাৰ গিৰিয়েক তাৰকেও এই ছেগতে কৈ উঠিল, "চোৱাঁ, তৰা, কথাত আছে—আপোন ভালে জগত ভাল। এই মাছ আৰু কেঁকোৰাৰ কথাটোকে ভাবি চোৱাচোন। ইহঁতে যদি একেলগে মিলাপ্ৰীতিৰে থাকিব পাৰে, মানুহ হৈ আমি থাকিব নোৱাৰিমনে মিলিজুলি?"

তাৰকৰ কথাৰ অৰ্থ ধৰিব নোৱাৰি তৰাই কৈ উঠিল, "কিনো বেবেৰিবাং বকিছা,—মই তোমাৰ কথাৰ মাথা-মুণ্ড একো বুজি পোৱা নাই।"

"বুজি পাবলৈ চেষ্টা অকণ কৰাঁ যদি নিশ্চয় বুজি পাবা। শুনা, আমি ইমানদিন ধৰি যিখন গাঁৱত আছোঁ, তাত দহো ৰাইজৰ লগত মিলিজুলি থাকিব নোৱাৰোঁ যদি—আন গাঁৱত পাৰিমনে? আচল কথা হ'ল—আপোন ভালে জগত ভাল। হয়নে নহয় ভাবি চোৱাঁ।" তাৰকে তৰাক বুজাই ক'লে।

তেতিয়া তৰাই ক'লে, "তেনেহ'লে মিছামিছিকৈ আন গাঁৱলৈ গৈনো কি লাভ হ'ব। ঠিক কথা, কেঁকোৰায়ো যি পাৰে, মই নোৱাৰিমনে? ব'লা, ঘৰলৈ উভতি যাওঁ ব'লা।"

এই বুলি কৈ তৰা আৰু তাৰক ঘৰ-মুৱা হ'ল। পাছত তৰাই নিজক পৰিৱৰ্তিত কৰি গাঁৱত সুনাম আৰ্জিছিল।



কাঁহৰ কিল্লা

১৪

কাপালিনী আৰু কালকেতুৰপৰা বিদায় লৈ চন্দ্ৰবৰ্মা গুচি গ'ল। গৈ গৈ তেওঁ অৰণ্যৰ মাজত কুটীৰ এটা দেখা পাই তাত থমকি ৰ'ল। কুটীৰত লগ পালে এক বৃদ্ধক। এই বৃদ্ধৰ পুত্ৰ দেৱলক হেনো এই দেশৰ ৰজা শিৱসিংহই বন্দী কৰি থৈছে বৃদ্ধৰপৰা কাঁহৰ কিল্লালৈ যোৱাৰ সন্ধান পোৱাৰ আশাৰে। যুৱৰাজ চন্দ্ৰবৰ্মাক বৃদ্ধই ক'লে যে সেই কাঁহৰ কিল্লালৈ যোৱাৰ মানচিত্ৰ তেওঁৰ ওচৰত আছে আৰু শিৱসিংহক তেওঁ সেই মানচিত্ৰ দিব। কিন্তু কিছুমান চৰ্তত। হঠাৎ ৰজাৰ প্ৰহৰীহঁতক দূৰৰপৰা অহা দেখা পাই বৃদ্ধ পিছদুৱাৰেদি পলাল।

আৰু তাৰ পাছত·········

কুটীৰৰপৰা যুৱৰাজ চন্দ্ৰবৰ্মাক ওলাই অহা দেখি ৰাজপ্ৰহৰীহঁতে অবাক মানিলে। এই কুটীৰত এজন বুঢ়া মানুহহে থাকিব লাগিছিল। তাৰ সলনি এইটো কোন!

সিহঁতে সেই বুঢ়াকহে ধৰি নিবলৈ আহিছিল। সিহঁতে বুঢ়াক হেলাৰঙে ধৰি লৈ যাব আৰু দুয়ো হাতেৰে ৰজাৰপৰা পোৱা পুৰস্কাৰ কোঁচাব বুলি পেটে পেটে ভাবিছিল; কিন্তু সিহঁতৰ সেইবোৰ গৰম আশাৰ মূৰত চেঁচাপানী পৰিল।

তৰোৱাল উলিয়ালে।

চন্দ্ৰবৰ্মাক নিৰ্ভয়ে থিয় হৈ থকা দেখি, দৃঢ়ভাৱে কথাখিনি কোৱা শুনি, ৰাজপ্ৰহৰীহঁত তথা সিহঁতৰ চৰ্দাৰো অবাক হ'ল। চৰ্দাৰে কি ক'ব কি নক'ব ভাবি থাকোঁতেই চন্দ্ৰবৰ্মাই পুনৰ গহীন মাতেৰে ক'লে, "তোমালোক কোন— এতিয়াই ক'ব লাগিব। যদি নোকোৱা— মোক যদি চাৰিওফালৰপৰা বেঢ়ি ধৰিবলৈ চেষ্টা কৰাঁ, তেনেহ'লে কিন্তু তোমালোকৰ বিষম সৰ্বনাশ হ'ব। মোৰ পিছফালে আছে এই কুটীৰ। পিছফালৰপৰা তোমালোকে মোক আক্ৰমণ কৰিব নোৱাৰিবা। মই ইয়াত থিয় হৈ থাকিম। তোমালোক যদি আৰু এখোজো আগুৱাই আহিছা, তোমালোকক মই সুনিশ্চিতভাৱে এই তৰোৱালেৰে ঘপিয়াম। মই সম্পূৰ্ণ প্ৰস্তুত।"

চৰ্দাৰে চন্দ্ৰবৰ্মাৰ কথাবোৰ আখৰে আখৰে বিশ্বাস কৰিলে। সি ভাবিলে: এই মানুহজনক আগুৰি ধৰাৰ চেষ্টা কৰি লাভ নাই। তাক আক্ৰমণ কৰিলে আমাৰহে বিপদ হ'ব। ই নিশ্চয় ভাল যোদ্ধা এজন।

এইবোৰ নানান কথা ভাবি চৰ্দাৰে চন্দ্ৰবৰ্মাক ক'লে, "তুমি যে এগৰাকী

ৰাজপ্ৰহৰীহঁতৰ চৰ্দাৰে চন্দ্ৰবৰ্মাক প্ৰশ্ন কৰিলে, "তুমি কোন? এই ঘৰত যি বৃদ্ধ আছিল—সেই বৃদ্ধ ক'ত আছে? তুৰন্তে কোৱা। নহ'লে—" এই বুলি কৈ চৰ্দাৰে তৰোৱাল দাঙি চন্দ্ৰবৰ্মাৰ পিনে অতি দ্ৰুত গতিৰে দুখোজ আগুৱাই গ'ল।

"তুমি যি বৃদ্ধৰ কথা কৈছা—তেওঁক মই দেখাও নাই, চিনিও নাপাওঁ, একো ক'ব নোৱাৰিম তেওঁৰ সম্পৰ্কে। আৰু— মই কোন—সেই কথা কোৱাৰ আগতে তোমালোকৰ চিনাকি মোক লাগে।" এই বুলি কৈয়েই চন্দ্ৰবৰ্মায়ো বিজুলী গতিৰে খাপৰপৰা তেওঁৰ চকচকীয়া

সাহসী যোদ্ধা সেই কথাত মোৰ অলপো সন্দেহ নাই। আৰু, তোমাৰ লগত যুদ্ধ কৰাৰ ইচ্ছাও মোৰ নাই। মই যিটো বুঢ়াক ধৰিবলৈ আহিলোঁ সি তো নিপাত্তা হ'লেই। তোমাক ধৰি নিবলৈ অহা নাই মই। গতিকে—তোমাৰ সৈতে যুদ্ধ কৰাৰো কোনো দৰ্কাৰ নাই আমাৰ। আমাৰ মাজত যদি ভুল বুজাবুজি হৈছে—এইখিনিতে তাৰ অৱসান হওক, আৰু এতিয়া আমি নিজ নিজ গন্তব্যস্থললৈ গুচি যাওঁ বাৰু।"

চৰ্দাৰৰ কথা শুনি চন্দ্ৰবৰ্মাই ভালেই পালে। কিন্তু তথাপি তেওঁ গম্ভীৰ কণ্ঠেৰে সুধিলে, "তোমালোকৰ ৰজা কোন? তেওঁৰ নাম কি?"

চন্দ্ৰবৰ্মাৰ কথা শুনি চৰ্দাৰ হতবাক হ'ল। ইনো ক'ৰ কোন? দেশৰ ৰজা কোন তাকো নজনা এই আচহুৱাটো ক'ৰপৰা আহিছেনো!

"আমাৰ ৰজাৰ নামটো নাজানানে তুমি!" চৰ্দাৰে অবাক কণ্ঠেৰে ক'লে, "তুমি এতিয়া য'ত থিয় হৈ আছা, সেই ঠাইৰ ৰজাৰ নামটোও নাজানা বুলি বিশ্বাস কৰিবলৈ মই বৰ টানহে পাইছোঁ।"

চৰ্দাৰৰ কথা শুনি মিচিকীয়াই হাঁহি মাৰি চন্দ্ৰবৰ্মাই ক'লে, "শুনা, মই বহুকাল ধৰি কত যে অজান দেশলৈ গৈছোঁ, ভ্ৰমি ফুৰিছোঁ, তাৰ লেখজোখ নাই। মোৰ গুৰুৱে তেওঁৰ ইহলীলা সামৰাৰ আগে আগে মোক এগৰাকী ৰজাৰ লগত সাক্ষাৎ কৰিবলৈ আদেশ দি গ'ল। সেই-গৰাকী ৰজাৰনাম হ'ল ৰজা শিৰসিংহ। ৰজা শিৰসিংহক বিচাৰি মই যে কত দেশ-নগৰ-ৰাজ্যলৈ গ'লোঁ, কিন্তু তথাপি তেওঁক বিচাৰি নাপালোঁ। ঠিক আছে. তোমালোক যোৱা তেন্তে, বিদায়।" এই বুলি কৈয়েই যুৱৰাজ চন্দ্ৰবৰ্মা অতি দ্ৰুততাৰে ঘূৰি থিয় হ'ল।

চন্দ্রবৰ্মাৰ এই কথা শুনি চৰ্দাৰে কি কব ভাবি নোপোৱা হ'ল। কুটীৰৰ ভিতৰলৈ যাবলৈ ধৰোঁতেই চৰ্দাৰে চন্দ্রবৰ্মাক ক'লে, "ৰ'বা, তুমি সাধাৰণ মানুহ নহয় বুলি আমাৰ ধাৰণা হৈছে। তোমাৰ গুৰুজনাই তোমাক যিগৰাকী ৰজাৰ লগত সাক্ষাৎ কৰিবলৈ কৈ গৈছে—আমাৰ ৰজা তেৱেঁই। তেৱেঁই এই সুন্দৰ দেশখনৰ একচ্ছত্রী ৰজা — মহাৰাজ শিৰসিংহ।"

চন্দ্রবৰ্মাই আনন্দৰে কৈ উঠিল, "মই ধন্য, ধন্য হ'লোঁ মই। ইমানদিনৰ অন্তত মোৰ শ্ৰম সাৰ্থক হ'ল। এতিয়া মই গুৰুৰ আদেশ পালন কৰিবলৈ সক্ষম হ'ম। জয় হওক গুৰু মহাৰাজৰ, জয় হওক মহাৰাজ শিৰসিংহৰ! ব'লা তোমালোকে মোক মহাৰাজৰ ওচৰলৈ লৈ ব'লা।"

হঠাৎ চৰ্দাৰ অলপ দ্বিধান্বিত যেন হৈ পৰিল। চৰ্দাৰে চন্দ্রবৰ্মাক ক'লে, "তোমাৰ গুৰুৱে তোমাক আমাৰ মহাৰাজৰ লগত সাক্ষাৎ কৰিবলৈ কিয় কৈছিল সেই কথাটো আমাক ক'বানে?"

"সেই কথা ক'ব পাৰিম কেৱল মহাৰাজকহে। ই গুপুত কথা। আনকি দেৱতাকো কোৱাত মানা।" এই বুলি মন্তব্য কৰি, হঠাৎ আকাশলৈ মু কৰি চন্দ্রবৰ্মাই কৈ উঠিল, "এইবাৰ! কাঁহৰ কিল্লালৈ যোৱাৰ বাট মুকলি হ'ব। এইবাৰ! হে গুৰু, এইবাৰ এই দুৰ্গটো এই হস্তগত হ'ব।" চন্দ্রবৰ্মাই দৃঢ়তাৰে মোৰ কথাবোৰ ক'লে।

* * *

'কাঁহৰ কিল্লা'—শব্দটো শুনিয়েই চৰ্দাৰে চমকি ঘূৰি থিয় হৈ চন্দ্রবৰ্মাক ক'লে, "তুমিনো কাঁহৰ কিল্লাৰ কথা জানিলা কেনেকৈ?"

"একমাত্ৰ মোৰ গুৰুৱেহে এই কাঁহৰ কিল্লাৰ কুঁৱা-মুৱা ৰহস্যৰ কথা জানিছিল। পিছে—তুমিও নিশ্চয় কিবাকিবি শুনি-



ছাই, নহ'লেনো কাঁহৰ কিল্লাৰ কথাত ইমান উচপ খাই উঠিলা কিয় ?” চৰ্দাৰলৈ তীব্ৰ দৃষ্টিৰে চাই চন্দ্ৰবৰ্মাই এইষাৰ কথা তাক ক'লে।

“এই কথাত আচৰিত হ'বলগীয়া কিনো আছে ? কাঁহৰ দুৰ্গৰ সন্তেদ উলিয়াবলৈহে আমি সেই বুঢ়াক বিচাৰি আছোঁ। এই বুঢ়াই কাঁহৰ কিল্লাৰ ভু-ভা সকলো জানে বুলি আমি শুনিছোঁ।” চৰ্দাৰে যুৱৰাজ চন্দ্ৰবৰ্মাক ক'লে।

চন্দ্ৰবৰ্মাই তেওঁৰ নিজৰ হাতৰ তলুৱাখনলে তীক্ষ্ণ দৃষ্টিৰে চাই ৰ'ল অলপ পৰলৈ, আৰু তাৰ পাছত লাহেকৈ ক'লে, “হোঁ, এতিয়াহে সকলো কথা ফটফটীয়া হ'ল। সেই বৃদ্ধৰ ওচৰত কাঁহৰ কিল্লালৈ যোৱাৰ মানচিত্ৰ থকা বুলি তোমালোকৰ ৰজাই ভাবিছে নিশ্চয়, আৰু সেয়েহে বৃদ্ধৰ পুত্ৰ দেৱলকো তোমালোকৰ ৰজাই বন্দী কৰি থৈছে। মোৰ অনুমান সঠিক নহয়নে বাৰু ?”

চৰ্দাৰে চন্দ্ৰবৰ্মাৰ হাতৰ তলুৱালৈ তীব্ৰ দৃষ্টি মেলি নিৰীক্ষণ কৰি ক'লে, “তুমি তুমি — চাগৈ সৰ্বজ্ঞ পুৰুষ। হাতৰ তলুৱালৈ চাই ইমান কথাবোৰ নহ'লেনো ক'ব পাৰিছা কেনেকৈ ?”

“সেইবোৰ কথা পাছতো হ'ব। এটা কাম কৰাঁ। তোমালোকে সৌ ডাঙৰ শিলচটাৰ ওচৰত ৰৈ থাকাগৈ। মই অলপমান সময়ৰ পাছতে তোমালোকৰ লগ লাগিমগৈ। তাৰ পাছত আমি একেলগে ৰজাৰ ওচৰলৈ যাম।” চন্দ্ৰবৰ্মাই চৰ্দাৰক ক'লে।

সিহঁত সেই শিলচটাৰ ওচৰলৈ যোৱাৰ পাছত চন্দ্ৰবৰ্মাই গছৰ আঁৰত থিয় হৈ থকা বৃদ্ধক চিঞৰি ক'লে, “জাম্বৱন্ত, সকলো কথা হৈ গ'ল। দেৱলৰ একো বিপদ নহ'ব। মই এতিয়াই ৰজা শিৱসিংহৰ ওচৰলৈ যাম। তুমি তুৰন্তে মোৰ ওচৰত ওলাই আহাঁচোন।”



বৃদ্ধ গছৰ আঁৰৰপৰা ওলাই আহি চন্দ্ৰবৰ্মাক সুধিলে, "জাম্বৱন্তনো কোন ?" কাক মাতিছা তুমি ?

"তোমাক। বৃদ্ধ বুলি চিঞৰাহেঁতেন ৰাজপ্ৰহৰীহঁতে তোমাক ধৰি লৈ গ'ল-হেঁতেন। যি কি নহওক—কাঁহৰ কিল্লাৰ-পৰা পোৱা মণি-মুকুতাৰ ভাগ তুমি পাবা, তোমাৰ পুত্ৰ দেৱলকো মুক্ত কৰা হ'ব। পিছে—কাঁহৰ কিল্লাৰ সেই মূল্যৱান মান-চিত্ৰখন ক'ত আছে ? দিয়া মোক।"

"তোমাৰ কথা মই বিশ্বাস কৰিব পাৰোঁনে ?" সন্দেহৰ দৃষ্টিৰে চন্দ্ৰবৰ্মালৈ চাই বুঢ়াই সুধিলে।

"মোক বিশ্বাস নকৰি তোমাৰ লাভ ! পশ্চিম সমুদ্ৰৰ তীৰত অৱস্থিত কাঁহৰ কিল্লালৈ তুমি জীৱনতো ওলাবগৈ পাৰিবা জানো ?" চন্দ্ৰবৰ্মাই বৃদ্ধ পিনে স্থিৰ দৃষ্টিৰে চাই ক'লে।

বৃদ্ধই ঘৰটোৰ এচুকত বেৰৰ ভিতৰত থকা মানচিত্ৰখন আনি দিলে যুৱৰাজ চন্দ্ৰবৰ্মাক। চন্দ্ৰবৰ্মাই মানচিত্ৰখন নিৰীক্ষণ কৰি ভাবিলে ঃ এই মানচিত্ৰত থকা পৰ্বত, নৈ, অৰণ্য, মৰুভূমি আদি পাৰ হৈ—কোনোবা মানুহৰ পক্ষে সেই ৰহস্যময় দুৰ্গ কাঁহৰ কিল্লালৈ যোৱা সম্ভৱ হ'বনে কেতিয়াও ? কোনো মানুহ জীৱন্ত অৱস্থাত ওলাবগৈ পাৰিবনে তাত ?

বৃদ্ধই অতি অনিচ্ছাৰে কাঁহৰ কিল্লাৰ সম্পৰ্কিত মানচিত্ৰ তথা পুথিখন চন্দ্ৰবৰ্মাক দি ক'লে, "মোক প্ৰতাৰণা নকৰিবা যেন, মোৰদৰে বৃদ্ধ এজন প্ৰতাৰণা কৰিলে মহাপাপ হ'ব তোমাৰ।"

"তোমাক, তোমাৰ পুত্ৰক, আনকি ৰজা শিৱসিংহকো মই প্ৰতাৰণা নকৰোঁ। শিৱসিংহই তেওঁৰ কথা ৰাখে যদি—ময়ো মোৰ কথা ৰাখিম। আৰু যদি···"

এনেতে ঘোঁৰাৰ খুৰাৰ শব্দ উঠিল। চৰ্দাৰ আগুৱাই আহি থকা দেখি চন্দ্ৰবৰ্মাই বৃদ্ধক ক'লে, "বৃদ্ধ, তুমি এই কুটীৰতে

থাকাঁ, একো ভয় নকৰিবা। তোমাক মই বাতৰি পঠাম, লগে লগে মোৰ ওচৰলৈ যাবা।" এই বুলি কৈয়েই চন্দ্ৰবৰ্মা ঘৰ এৰি বাহিৰলৈ ওলাই চৰ্দাৰৰ পিনে আগুৱাই গ'ল।

চন্দ্ৰবৰ্মাক আগবাঢ়ি অহা দেখি চৰ্দাৰ ঘোঁৰাৰপৰা নামিল। চন্দ্ৰবৰ্মাক ক'লে, "তুমি নহা দেখিহে মই তোমাক বিচাৰি আহিলোঁ। এই ঘোঁৰাটো তোমাৰ কাৰণে লৈ আহিছোঁ মই। তোমাৰ কথা ইমান-পৰে আমাৰ মহাৰাজে জানিলেই। এটা কথা। তোমাক 'তুমি-তামা'কৈ সম্বোধন কৰাটো মোৰ অন্যায় হৈছে, যদিও..."

"মোক তুমি 'তুমি' বুলি কোৱাত মই ভাল পাইছোঁ। কেইটিমান বিশেষ শক্তিৰ লগত যোগাযোগ কৰিবলৈ মই অৰণ্যত সোমাইছিলোঁগৈ। বিভিন্ন শক্তিৰপৰা যিখিনি জানিলোঁ—তোমালোকৰ ৰজা বৰ সহজ মানুহ নহয়। তেওঁ বোধকৰোঁ অতি দুষ্ট প্ৰকৃতিৰ। হয়নে?" চন্দ্ৰবৰ্মাই চৰ্দাৰক প্ৰশ্ন কৰিলে।

"মহাৰাজ দুষ্টনে শিষ্ট আমিনো কওঁ কেনেকৈ? আমি হ'লোঁ দৰমহা খোৱা সৈন্য। ঠিকমতে দৰমহা যোগোৱা ৰজাক আমি ভাল বুলি নকৈ নোৱাৰোঁ।" চৰ্দাৰে চন্দ্ৰবৰ্মাক ক'লে।

ৰজা শিৰসিংহ যে বৰ ভাল নহ'ব, সেই কথা চৰ্দাৰৰ কথাৰপৰা ওলাই পৰিল। তথাপি, কাঁহৰ কিল্লালৈ যাবলৈ হ'লে কেৱল তৰোৱালখনৰ ওপৰত নিৰ্ভৰ কৰিলে নহ'ব, ৰজা শিৰসিংহৰপৰাও সহায়-সাৰথি ল'ব লাগিব। আৰু—অকলশৰে পশ্চিম-সমুদ্ৰৰ তীৰত থকা ৰহস্যময় কাঁহৰ কিল্লালৈ যোৱাৰ অৰ্থ হ'ব আত্মবিনাশৰ পথলৈ আগবাঢ়ি যোৱাহে। সেই কাৰণেই অদ্যাপি কোনো মানুহ কাঁহৰ কিল্লালৈ বুলি খোজ লোৱা নাই কিজনি। যি হওক, শিৰসিংহক নিজৰ সঠিক পৰিচয় দিয়াটোও ঠিক নহ'ব। —চন্দ্ৰবৰ্মাই

ভাবি থাকিল ঃ ৰাজপ্ৰহৰীহঁত আৰু চৰ্দাৰে যেনেকৈ মোক এক বিশেষ শক্তি সম্পন্ন মানুহ বুলি ভাবিছে, তেনেকৈ ৰজা শিৱসিংহৰ মনতো মোৰ নিজৰ সম্পৰ্কে এই ৰহস্যজনক ধাৰণাৰ সৃষ্টি অৱশ্যেই কৰিব লাগিব।

চৰ্দাৰে চন্দ্ৰবৰ্মাক সুধিলে, "এতিয়া আমি ৰাওনা হওঁনে?"

চৰ্দাৰে এই কথা কোৱাৰ লগে লগে চন্দ্ৰবৰ্মা ঘোঁৰাৰ পিঠিত উঠিল। চৰ্দাৰে আকৌ এবাৰ তাৰ অবাক দৃষ্টি মেলি চন্দ্ৰবৰ্মালৈ চাই পঠালে আৰু এওঁ যে সাধাৰণ মানুহ নহয়, সেই কথাত দুনাই নিঃসন্দেহ হ'ল।

* * *

পাহাৰ, অৰণ্য পাৰ হৈ, গৈ গৈ এওঁলোক ৰুদ্ৰপুৰ পালেগৈ। সমগ্ৰ ৰুদ্ৰপুৰ অসংখ্য তোৰণেৰে সজোৱা হৈছিল। চন্দ্ৰবৰ্মাই ৰুদ্ৰপুৰত ভৰি দিয়াৰ লগে লগে তুৰ্য্যধ্বনিৰ শব্দ উঠিল আৰু বাটৰ দুকাষত ৰৈ থকা নৰ-নাৰীসকলে জয়ধ্বনিৰে গগন কঁপাবলৈ ধৰিলে— 'মহাতান্ত্ৰিকৰ জয় হওক' মহাৰাজ! শিৱসিংহৰ জয়! জয় মহাতান্ত্ৰিকৰ জয়!"

এনেবোৰ জয়ধ্বনি শুনি যুৱৰাজ চন্দ্ৰবৰ্মা বিমূঢ় হৈ পৰিল। তেওঁক যে এই মানুহবিলাকে তথা ৰজায়ো 'মহাতান্ত্ৰিক' বুলি ভাবিছে, সেই কথাত চন্দ্ৰবৰ্মা নিঃসন্দেহ হ'ল। চৰ্দাৰেই এই খবৰ ৰজা শিৱসিংহলৈ পঠালে আৰু ৰজায়ো সেইমতে বন্দৱস্ত কৰিলে। নহ'লেনো প্ৰজাহঁতে তেওঁলৈ চাই চাই 'মহাতান্ত্ৰিকৰ জয় হওক' বুলি চিঞৰি টেঁটু ফালিব কিয়? আৰু অচিনাকি মানুহ এজনক কিয় আদৰিব?

চন্দ্ৰবৰ্মাই ভাবিলেঃ হৈ থকাখিনি একেবাৰে বেয়া নহয়, পিছে শেষৰক্ষা হ'লেহে হৈছে। [অহা সংখ্যাত



শ্ৰমৰ গূঢ়াৰ্থ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছ-জোপাৰ ওচৰলৈ উভতি গৈ, ডালৰপৰা শ’টো নমাই আনি, কান্ধত কঢ়িয়াই লৈ, মৰিশালিলৈ বুলি নীৰৱে-নিমাতে গৈ থাকিল। তেতিয়া শ’ৰ মাজত থকা বেতালে ক’লে, “হে ৰজা, তুমি যেনিবা এক অসহায় অসুৰ। কিন্তু কৰ্ম সম্পাদনৰ বাবে কেৱল আসুৰিক শক্তিৰেই নহ’ব, বিবেক আৰু বিচক্ষণতাৰো আৱশ্যক হ’ব ; নহ’লে সকলো শ্ৰম বিফল হ’ব পাৰে। বিশাখৰ কাহিনী শুনিলেহে মোৰ এই কথাৰ গূঢ়াৰ্থ বিচাৰি পাবা। এই কাহিনী শুনি শুনি খোজ দিলে তুমি ভালেই পাবা, আৰু তোমাৰ পথশ্ৰমো কথঞ্চিত লাঘৱ হ’ব।” এই বুলি কৈ, বেতালে বিশাখৰ কাহিনী ক’বলৈ ধৰিলে ঃ

পাটলিপুত্ৰত জয়ানন্দ নামৰ এগৰাকী

‘বেতাল-কথা’

কেতিয়াবা বলিয়াহেন হৈ পৰিছিল।

*　　*　　*

এদিন ছুপৰীয়া বিশাখ টোপনিত লাল-কাল হৈ পৰিল। টোপনিৰ মাজতে সি এটা সপোন দেখিলে, সপোনত জয়ানন্দতকৈ বিশাখ অধিক আঢ্যৱন্ত হোৱা দেখা পালে। জয়ানন্দৰ আ-অৱস্থা বেয়া, তেওঁ এটা চাকৰি বিচাৰি বিশাখৰ ওচৰত কাতৰভাৱে প্ৰাৰ্থনা কৰিছে। সপোনতে বিশাখে চিঞৰি উঠিল, "হেৰ ঐ জয়ানন্দ, কঙ্ক-পাত হোৱাটো—ক'ত মৰিলিগৈ ঔ? এইফালে জলদিকৈ আহচোন চাওঁ?"

বিশাখৰ দুৰ্ভাগ্য, সপোনত চিঞৰি উঠোঁতে জয়ানন্দ তাতে থিয় হৈ আছিল। সপোনতনে কিহত তাৰ পৰোৱা জয় নন্দই কিয় কৰিব, সি বিশাখক টোপনিৰপৰা গুৰিয়াই জগাই, চৰ কেইপাতমান মাৰি, বাটত উলিয়াই দিলে। এই দৃশ্য দেখি জয়ানন্দৰ ঘৰৰ আন সকলোটিয়ে, আনকি চাকৰ-চাকৰণীহঁতে হাঁহি ৰখাব নোৱাৰিলে। বিশাখে ইমান হৃদয়বিদাৰক বিদ্ৰূপ সহিব নোৱাৰি পাটলিপুত্ৰ নগৰ এৰি গভীৰ অৰণ্যলৈ গৈ থাকিল।

*　　*　　*

অৰণ্যৰ মাজেদি অনাই-বনাই গৈ

ধনী ব্যৱসায়ী আছিল। তেওঁৰ এক দূৰ সম্পৰ্কীয় আত্মীয়ই নিৰুপায়ত পৰি এই ধনী ব্যৱসায়ীৰ ঘৰত থাকিবলৈ ল'লে। এওঁৰ নাম বিশাখ।

*　　*　　*

বিশাখ দেখাই-মেলাই ভদ্ৰ, মাৰ্জিত আৰু বুদ্ধিমানো আছিল। কিন্তু ভাগ্য প্ৰতিকূল হোৱাত বিশাখে জয়ানন্দৰ ঘৰত লগুৱাৰ দৰে কাম কৰিবলৈ বাধ্য হ'ল। বিশাখে তাৰ এই মন্দভাগ্যক সুঁৰৰি ভাবিছিল: জয়ানন্দ মোৰ আত্মীয়। সি যদি ধনী হ'ব পাৰে মই কিয় নোৱাৰিম? এইবোৰ কথা ভাবি ভাবি বিশাখ



থাকোঁতে বিশাখে তপস্যাৰত এগৰাকী মুনিক দেখা পাই, মুনিক সাষ্টাংগে প্ৰণাম কৰি, আঁঠু কাঢ়ি বহি, তাতে ৰৈ থাকিল। বহু সময়ৰ অন্তত মুনিয়ে চকু মেলি চাই বিশাখক ক'লে, "বোপা, তোমাকনো কি লাগে? মই তোমাৰ কি উপকাৰ কৰিব পাৰোঁ কোৱাচোন মোক?"

বিশাখে তাৰ বিষাদময় জীৱনকাহিনী তথা জয়ানন্দৰ কথা বিবৰি কোৱাৰ অন্তত মুনিক ক'লে, "হে মহাত্মা, জয়ানন্দতকৈ ধনী হ'ব পৰা, আৰু তাক মোৰ চাকৰ হিচাপে মকৰল কৰিবপৰা বৰ এটা দিয়ক মোক।"

মুনিয়ে পুনৰ ধ্যানস্থ হৈ, দিব্যদৃষ্টিৰে জয়ানন্দৰ কৰ্মফল দেখা পাই বিশাখক ক'লে, "বোপা, সীমাহীন শ্ৰম কৰি জয়ানন্দ ধনী হ'ল। আৰু তুমি—কেৱল সপোন সাজিয়েইহে ধনী হ'ব খুজিছা। সপোন দিঠক হোৱাটো তেনেই টান। মোৰ উপদেশ গ্ৰহণ কৰা যদি তুমিও জয়ানন্দৰ দৰে শ্ৰম কৰি জীৱনত উন্নতি কৰিবলৈ চেষ্টা কৰাঁ।"

বিশাখে হতাশ হৈ ক'লে, "হে মহাত্মা, আপোনাৰ কথাত নতুনত্ব একো নাই। এই কথা হালোৱা-জালোৱায়ো ক'ব পাৰে। আপোনাৰ নিশ্চয় ক্ষমতা নাই। তপস্যাৰ ফলত অৰ্জা শক্তি আপোনাৰ মাজত থকাহেঁতেন আপুনি নিশ্চয় মোক বৰ দিব পাৰিলেহেঁতেন।"

মুনিয়ে মিচিকীয়াই হাঁহি মাৰি ক'লে, "ঠিক আছে, মই এফাকি মন্ত্ৰ তোমাক শিকাই দিছোঁ। এই মন্ত্ৰফাকি তিনিবাৰ আওৰালেই তোমাৰ মনৰ বাসনা ফলৱতী হ'ব।" মুনিয়ে মন্ত্ৰ ফাকি বিশাখক ক'লে আৰু ভালেকৈ শিকাই দিলে।

বিশাখে মুনিক সাষ্টাংগে প্ৰণাম কৰিলে। মুনিয়ে পুনৰ ক'লে' "বোপা, এটা কথা ক'বলৈ পাহৰিলোঁ মই। এই মন্ত্ৰফাকি জীৱনত কেৱল তিনিবাৰলৈহে

প্ৰয়োগ কৰিব পাৰিবা। গতিকে—বুদ্ধি, বিবেক তথা বিচক্ষণতাৰে এই মন্ত্ৰ প্ৰয়োগ কৰি কেৱল নিজৰ স্বাৰ্থসিদ্ধি নহয়—আনৰো কিঞ্চিত উপকাৰ কৰিবা।”

* * *

মন্ত্ৰবলেৰে বলীয়ান হৈ বিশাখে পুনৰ পাটলিপুত্ৰলৈ বুলি খোজ ল'লে। বিশাখ যেতিয়া পাটলিপুত্ৰ পালেগৈ, তেতিয়া মাজনিশা। সি ধৰ্মশালা এখনত শুই মুনিৰ মন্ত্ৰৰ কথা ভাবি ভাবি টোপনি গ'ল আৰু টোপনিৰ মাজত সপোন দেখি থাকিল। সপোনত জয়ানন্দই বিশাখৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি তেওঁৰ জীয়েকে মালিনীক বিয়া কৰাবলৈ কৈ আছিল এসময়ৰ আশ্ৰিত বিশাখক।

সাৰ পাই বিশাখে সপোনৰ কথাটো ভাবি থাকিল। এনেহেন সপোন জীৱনত সি কমো দেখা পাইছে। পিছে—এই সপোনক মন্ত্ৰৰ বলেৰে সাঁচেকাটে সঁচা কৰি তুলিব পাৰেনে কি তাৰ বাস্তৱ পৰীক্ষা কৰি চাবলৈ মন গ'ল তাৰ।

এই কথা ভাবি বিশাখে সেই মন্ত্ৰফাকি তিনিবাৰ আওৰালে। আৰু মন্ত্ৰ আওৰোৱাৰ লগে লগে সি পুনৰ টোপনিৰ জালত বাগৰি পৰিল।

* * *

এইবাৰ সি হঠাৎ টোপনিৰপৰা সাৰ পাই উঠি বহিল আৰু বিস্ময়ত ভেবা লাগি



চাই ৰ'ল। তাৰ সমুখত জয়ানন্দ আৰু তেওঁৰ পৰিবাৰ থিয় হৈ আছিল।

জয়ানন্দই বিশাখক ক'লে, "বোপা বিশাখ, মই মোৰ কৃতকৰ্মৰ বাবে তোমাৰ-পৰা ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। মোক ক্ষমা কৰি থ'বলৈ ব'লা। আমাৰ কুলদেৱতাই সপোনত দেখা দি তোমাৰ থকা ঠাইৰ কথা আমাক কৈ দিলে, আৰু তোমাৰ লগত আমাৰ মালিনীৰ যোৰা পাতি দিবলৈকো ক'লে ।

কিন্তু বিশাখ পোনতে মান্তি নহ'ল। তাৰ পাছত নেৰানেপেৰাকৈ কাবৌ-কাকুতি কৰাত শেহ'লৈ মত দিলে। সাতদিনৰ ভিতৰত মালিনীৰ লগত বিশাখৰ বিয়া হৈ গ'ল। কিন্তু যেহেতু এসময়ত জয়ানন্দৰ ঘৰত বিশাখে চাকৰ হিচাপে কাম কৰিছিল, সিহেতুকে ঘৰৰ প্ৰায় আটায়েই, আনকি জয়ানন্দৰ ঘৰৰ চাকৰ-চাকৰণীহঁতেও বিশাখলৈ তাচ্ছিল্যৰ দৃষ্টিৰে চোৱা হ'ল।

ঘটনাটো লক্ষ্য কৰি জয়ানন্দই এদিন বিশাখক ক'লে, "বিশাখ, তুমি এতিয়া মোৰ প্ৰাণৰো প্ৰাণ, মানুহে যিয়েই নকওক। পিছে — বেহা-বেপাৰ কৰি জীৱনত প্ৰতিষ্ঠা লাভ কৰিব লাগিব। তাৰ কাৰণে ধন যিমান লাগে মই দিম। মোতকৈয়ো যাতে ধনী হ'ব পাৰা— তুমি দিনে-নিশাই চেষ্টা কৰাঁ। মোৰ



সহায় সাৰথি সদায় পাই থাকিবা।"

শহুৰেকৰ কথাত বিশাখে হাতত স্বৰ্গখনকে যেনিবা ঢুকি পোৱা হ'ল। এই কথাত মান্তি নহৈ বিশাখেনো শান্তি পায় কেনেকৈ?

পাছত বিশাখে তাৰ পৰিবাৰ মালিনীক সকলো কথা ক'লে। কোৱাৰ অন্তত বিশাখে মন্তব্য কৰিলে, "তেওঁতকৈ ধনী হোৱাটো মোৰ পক্ষে সমস্যায়েই নহয়, মই যেতিয়াই—তেতিয়াই হ'ব পাৰোঁ।"

মালিনীয়ে মিচিককৈ হাঁহি মাৰি ক'লে, "তেতিয়া দেউতাইহে আটাইতকৈ সুখী হ'ব তোমাৰ সেই উন্নতি চাই।"

সেইনিশা বিশাখে সপোন দেখিলে যে বিশাখ এতিয়া পাটলিপুত্ৰ ৰাজ্যৰ শ্ৰেষ্ঠতম ধনী মানুহ।

সাৰ পোৱাৰ পাছত সপোনৰ কথাটো বিশাখে মালিনীক কোৱাত মালিনীয়ে আমনি পাই ক'লে, "সপোনত ধনী হোৱাটো উজু, বাস্তৱতহে টান। দেউতাৰ দৰে প্ৰকৃত ধনী মানুহ হ'বলৈ হ'লে কঠোৰ শ্ৰম কৰিব লাগিব।"

"একেবাৰে শ্ৰম নকৰাকৈয়ো যে ধনীৰো ধনী হ'ব পাৰি, তোমাক দেখুৱাই দিম বাৰু।"

এই বুলি মন্তব্য কৰাৰ পাছত বিশাখে মুনিৰ মন্ত্ৰৰ কথাটো মালিনীক ক'লে আৰু মন্ত্ৰফাকি তিনিবাৰলৈ আওৰালে।

*　　*　　*

আৰু তিনিমাহৰ অন্তত বিশাখেই হ'লগৈ পাটলিপুত্ৰ ৰাজ্যৰ শ্ৰেষ্ঠতম ধনী ব্যক্তি। কথা-কাণ্ড শুনি আৰু দেখি মালিনী সঁচাসঁচিকৈ ভেবা লাগিল।

ইমান কম সময়ৰ ভিতৰত ইমান ধনী হোৱাত বিশাখ বহুতৰেই ঈৰ্ষা চপাই ল'লে। তল খাপৰ ধনীসকলৰ মাজত কিছুমানে বিশাখৰ সম্পৰ্কে নানা কথা ৰটনা-খচনা কৰি থাকিল ঃ বিশাখে হেনো ভেজাল বস্তু বেচে, ৰজাৰ প্ৰাপ্য



কৰ নিদিয়ে ইত্যাদি। কথাবোৰ গৈ গৈ ৰজাৰ কাণ পালেগৈ। ৰাজকৰ্মচাৰী-সকলে সঠিকভাৱে কৰ নিদিয়াৰ অভিযোগত বিশাখক অভিযুক্ত কৰি, বিৰাট পৰিমাণৰ টকা কৰ হিচাপ ৰাজ-কোষত দিবলৈ ৰজাৰ হৈ বিশাখৰ ওচৰত আদেশ জাৰী কৰিলে।

আৰু ঠিক তেতিয়াই এদিন জয়ানন্দ ঢুকাল। বিশাখক সুপৰামৰ্শ দিবলৈ আৰু কোনো নাথাকিল। বিশাখ ভাবি ভাবি বলিয়াহেন হৈ পৰিল।

এনিশা বিশাখ ৰজা হোৱাৰ সপোন দেখিলে। আৰু সাৰ পায়েই কথাটো মালিনীক ক'লে। মালিনীয়ে টপকৰে কৈ উঠিল, "এয়া বৰ সৌভাগ্যৰ কথা। এতিয়া যদি তুমি নিজেই ৰজা হ'ব পাৰা—তেনেহ'লে একো সমস্যা নাথাকিব। তুমি আৰু কালক্ষেপ নকৰিবা। এই স্বপ্ন সত্য হোৱালৈ মন্ত্ৰফাকি উচ্চাৰণ কৰা।"

মালিনীৰ কথা শুনি বিশাখে অলপ পৰলৈ চিন্তা কৰি ক'লে, "মই সেই মুনিজনাৰ ওচৰলৈ যাম, এতিয়াই তালৈ যাব লাগিব।" এই বুলি কৈয়েই বিশাখ খৰতকীয়াকৈ মুনিৰ আশ্ৰমলৈ বুলি ওলাল।

বিশাখে মুনিক আদ্যোপান্ত বিবৰি কোৱাৰ অন্তত পুনৰ ক'লে "হে মহাত্মা, আপোনাৰ প্ৰদত্ত সেই মন্ত্ৰ আৰু যাতে কাৰ্য্যকৰী নহয় তেনেকুৰা কিবা এটা কৰি দিয়ক।"

মুনিয়ে বিশাখক ক'লে, "তোমাৰ যে ইমান কম দিনতে এই জ্ঞান হ'ব—মই ভাবিবই পৰা নাছিলোঁ। যি কি নহওক, এতিয়াৰপৰা এই মন্ত্ৰই আৰু একো গুণ নিদিয়ে।"

বিশাখে মুনিক সাষ্টাংগে প্ৰণাম কৰিলে, মুনিয়ে তাক আশীৰ্বাদ কৰিলে। তাৰ-পাছত, ঘৰলৈ উভতি আহি বিশাখে তাৰ স্থাবৰ-অস্থাবৰ সকলো সা-সম্পদ বেচি, ৰজাৰ কৰ পৰিশোধ কৰি, মালিনীৰে

সৈতে আন এখন নগৰলৈ গুচি গ'ল। তাত সকুমুৰা বেহা-বেপাৰ কৰি বিশাখে আনন্দৰে জীৱন যাপন কৰিবলৈ ধৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, বিশাখে মন্ত্ৰ উচ্চাৰণ কৰামাত্ৰকে দেখোন ৰজা হ'ব পাৰিলেহেঁতেন। কিয় তেওঁ বুদ্ধিহীনৰ দৰে কাম কৰিলে? ৰজা হোৱাৰ সুযোগ পৰিত্যাগ কৰি তেওঁ ভুল কৰা নাছিলনে? এই প্ৰশ্নৰ উত্তৰ জনা সত্ত্বেও যদি সঠিককৈ নিদিয়া—তেনেহ'লে তোমাৰ মূৰ চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "বিশাখক বুদ্ধিহীন বুলি কোৱা উচিত নহয়। পিছে—তেওঁৰ আশা আছিল সীমাহীন। সপোন দিঠক হ'লে যে সমস্যা বাঢ়ে, সেই কথা এসময়ত বিশাখে বুজি পাইছিল। মন্ত্ৰ মাতি, সপোনত দেখা মতে, বিশাখ ধনী মানুহৰ জোঁৱায়েৰ হ'ল; কিন্তু তথাপি লোকৰ বিদ্ৰূপৰ পাত্ৰ নোহোৱাকৈ নাথাকিল। তাৰ পাছত, মন্ত্ৰ বলতে বিশাখ ৰাতিটোৰ ভিতৰতে ৰাজ্যৰ সৰ্বপ্ৰধান ধনী মানুহ হৈ পৰিল, আৰু তাৰ ফলত লোকৰ ঈৰ্ষাৰ পাত্ৰ হ'বলগীয়া হ'ল, ৰজাৰ ৰোষত পৰিল। ৰজাও হ'ব পাৰিলেহেঁতেন তেওঁ; কিন্তু মন্ত্ৰবলত ৰজা হ'লে যে আৰু অধিক বিপদৰ মাজত সোমাবগৈ, সেই কথাটো বিশাখে অতি পৰিষ্কাৰভাৱে দেখা পাইছিল। আৰু এইবোৰ নানান কথা ভাবিয়েইহে বিশাখে মুনিৰপৰা মন্ত্ৰৰ শক্তি অকাৰ্য্যকৰী কৰি আনিছিলগৈ। গতিকে, বিশাখে শেহলৈ বুদ্ধিমত্তা তথা বিবেকপূৰ্ণ বিচক্ষণতাৰহে পৰিচয় দিছিল—এই কথাত সন্দেহৰ থল নাই।"

ৰজা বিক্ৰমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত





আমাৰ দ'ল-দেৱালয়

কাশী

কাশী হ'ল পৃথিৱীৰ অন্যতম প্ৰাচীন নগৰ। 'কাশী' শব্দটোৰ অৰ্থ হ'ল কঁহুৱা ফুলৰ স্থান। বৰুণা আৰু অসি নামৰ গংগাৰ দুখন উপনৈৰ মাজত থকা বাবে কাশীৰ আন এক নাম বাৰাণসী।

সুপ্ৰাচীনকালৰেপৰা কাশীত শিৱদ'ল থকাত কাশী এক পবিত্ৰ ঠাই ৰূপে আদৃত হৈ আহিছে। ইয়াত পোন প্ৰথমে কোনে শিৱদ'ল স্থাপন কৰিছিল সেই কথা অদ্যাপি অনাৱিষ্কৃত।





বহুকালৰ আগতে কাশীৰ শাসক দিৱ-দাসে প্ৰজাবৰ্গৰ মংগল সাধি ধৰ্মৰক্ষা কৰিছিল ; কিন্তু শিৱৰ প্ৰতি তেওঁৰ সিমান ভক্তি নাছিল বুলি কোৱা হয়



দিৱদাসৰ এই উপেক্ষৰ মনোভাৱলৈ লক্ষ্য কৰি শিৱে হেনো কাশী এৰি গুচি গৈছিল। এই বিষয়ত শিৱভক্তগণৰ বাহিৰে আন কোনেও নাজানিছিল।

কেইযুগমানৰ অন্তত শিৱৰ মনত কৌতুহল জাগিল যে তেওঁ নথকা কাশীৰ অৱস্থা কেনেকুৱা। শিৱে তেওঁৰ অনুচৰ কেইজনমানক কাশীলৈ পঠালে। অনুচৰ অৰ্থাৎ ৰুদ্ৰগণে কাশীৰ সৌন্দৰ্য্যমণ্ডিত ৰূপ দেখি মোহিত হৈ গংগাৰ তীৰতে থাকিল।



এদিন বিষ্ণুৱে ব্ৰাহ্মণৰূপে দিৱদাসক ক'লেহি, "দহোৰাইজে প্ৰশংস কৰিলেই মানৱজীৱন সাৰ্থক নহয়, আধ্যাত্মিক চিন্তা আৰু ভক্তি থাকিব লাগে। সেয়েহে—তুমি এতিয়াৰপৰা একমনে শিৱৰ আৰাধনা কৰা।"

ব্ৰাহ্মণৰ কথাৰ সাৰমৰ্ম উপলব্ধি কৰি ৰজা দিৱদাসে এক বিৰাট শিৱদ'ল নিৰ্মাণ কৰি তাত শিৱলিঙ্গ প্ৰতিষ্ঠা কৰিলে। তেতিয়া শিৱ অতি তুষ্ট হৈ পুনৰ উভতি আহিল কাশীলৈ।
VEEKA
কালপ্ৰবাহত ৰজা দিৱদাস-নিৰ্মিত শিৱদ'ল লুপ্ত হ'ল। বৰ্তমান কাশীৰ শিৱদ'ল ইন্দোৰৰ ৰাণী অহল্যাবাঈ-নিৰ্মিত। এই শিৱদ'লৰ চূড়াত থকা সোণৰ আৱৰণ পঞ্জাবৰ তদানীন্তন ৰজা মহাৰাজ ৰণজিৎ সিঙৰ অৱদান।
বিশ্বনাথ তথা বিশ্বেশ্বৰ নামৰ এই শিৱলিংগ দৰ্শন কৰিবলৈ দেশৰ বিভিন্ন প্ৰান্তৰপৰা অশেষ কষ্ট কৰি তীৰ্থ যাত্ৰীসকল কাশীলৈ আহে। ইয়াত মহসমাৰোহেৰে শিৱপূজা কৰা হয়।

কাশীৰ গংগাত স্নান কৰা হ'ল ভক্ত-সকলৰ এক পৱিত্ৰ কৰ্তব্য। কাশীত মৃত্যু লাভ কৰাটোও পৰম বাঞ্ছিত তথা পৱিত্ৰতাৰ প্ৰতীকৰূপে ভবা হয়। আনকি কাশীৰ গংগাতীৰত মৃতকক দাহ কৰা, অস্থি বিসৰ্জন দিয়া আদিও পৰম পৱিত্ৰ কৰ্ম বুলি ভবা হয়।

বহুতো পুৰাণ-কাহিনীত কাশীৰ উল্লেখ আছে। ৰজা হৰিশ্চন্দ্ৰই শ্মশানত চণ্ডালৰ কাম কৰি থাকোঁতে তেওঁৰ নিজৰ মৃত সন্তানক হেনো হৰিশ্চন্দ্ৰই কাশীৰ শ্মশানলৈ লৈ গৈছিল।

যুগ যুগ ধৰি অগণিত ভক্তই কাশীৰ বিশ্বনাথ দৰ্শন কৰি আহিছে। গৌতম বুদ্ধ, শংকৰাচাৰ্য্য, ৰামানুজ, কবীৰ, নানক, তুলসীদাস, চৈতন্য মহাপ্ৰভু প্ৰমুখ প্ৰাতঃস্মৰণীয়সকলেও কাশী দৰ্শন কৰিছিল। সুদূৰ অতীতৰ দৰে কাশী আজিও সমভাৱে আকৰ্ষণীয় তীৰ্থস্থান।

বল্কলৰ কাহিনী

পোতন নগৰৰ ৰজা আছিল সোমচন্দ্ৰ। তেওঁৰ পত্নীৰ নাম ৰাণী ধাৰিণী আৰু একমাত্ৰ পুত্ৰৰ নাম আছিল প্ৰসন্নচন্দ্ৰ।

এদিন ৰজাৰ মূৰত এডাল বগা চুলি দেখা পাই ৰাণী ধাৰিণীয়ে ৰজাক ঠাট্টা কৰাত ৰজাই গহীন মাতেৰে ক'লে, "মই আৰু ৰাজত্ব নকৰোঁ। ৰাজহ এৰি, অৰণ্যলৈ গৈ, মই ঋষিসকলৰ দৰে তপস্যা কৰিম।"

"তেনেহ'লে মোকো লগত লৈ যাব লাগিব।" ধাৰিণীয়ে ক'লে।

পুত্ৰ প্ৰসন্নক ৰজা পাতি সোমচন্দ্ৰ অৰণ্যলৈ গ'ল। ধাৰিণীও গ'ল। অৰণ্যতে ধাৰিণী সন্তানসম্ভৱা হ'ল। যথাসময়ত ধাৰিণীৰ গৰ্ভৰপৰা এটি পুত্ৰ সন্তান উপজিল। এই পুত্ৰটিৰ নাম বল্কল।

কিছুদিনৰ অন্তত ৰাণী ধাৰিণী ঢুকাল। সোমচন্দ্ৰই বল্কলক লালন-পালন কৰি থাকিল। অৰণ্যৰ পৰিবেশত বল্কল তিলে তিলে ডাঙৰ হৈ থাকিল মুনি-ঋষিসকলৰ মাজত।

* * *

বহুদিনৰ অন্তত ৰজা প্ৰসন্নই তেওঁৰ ভায়েক বল্কলৰ কথা জানিবলৈ পাই, কেইজনীমান নটীক আশ্ৰমবাসীৰ সাজ-পাৰ পিন্ধাই ফল-মিঠাই ইত্যাদি-খোৱা-বস্তুৰে সৈতে পঠালে অৰণ্যৰপৰা যেনেতেনে বল্কলৰ মন পুনৰ ঘৰমুৱা কৰি বল্কলক ৰাজধানীলৈ লৈ আহিবলৈ।

নটীহঁত বল্কল থকা আশ্ৰমলৈ গ'ল। তেতিয়া আশ্ৰমত বল্কল অকলেই আছিল। নটীহঁতে বল্কলক ক'লে, "পোতন নগৰত

'জৈন পুৰাণ'

আমাৰ আশ্ৰম আছে। তাত খোৱা-থকাৰ বঢ়িয়া বন্দৱস্ত। একেবাৰেই অভাৱ নাই। তুমি যদি তাত আমাৰ লগত থাকাগৈ, তেনেহ'লে সদায় আমাৰ দৰে ফল, মিঠাই—পায়স-পিঠা — যেতিয়াই যি মন যায় সকলো বস্তু সদায় খাব পাৰিবা।

ইহঁতৰ কথা শুনি বল্কলৰ মন গ'ল তালৈ যাবলৈ। কিন্তু তেতিয়াই স্বয়ং সোমচন্দ্ৰক তালৈ অহা দেখি সেই নটীহঁত চকুৰ পচাৰতে তাৰপৰা নোহোৱা হ'ল।

*

অৰ পাছত, বল্কলে নটীহঁতক বিচাৰি নাপাই, উদ্বাউল হৈ উঠিল। অলপ পাছত এখন গাড়ী সেইপিনে আহিল। বল্কলে এই গাড়ীৰ চালকক ক'লে, "হে মুনীশ্বৰ, মই পোতনাশ্ৰমলৈ যাম বুলি ভাবিছোঁ। অনুগ্ৰহ কৰি ক'বনে. পোতনাশ্ৰম কোন ফালেদি যাব লাগে?"

গাড়ীৰ চালকৰ পৰিবাৰে বল্কলৰ কথা শুনি হাঁহি ৰখাব নোৱাৰি ক'লে, "যদি পোতনলৈ যোৱাৰ মন, পলম নকৰি আমাৰ গাড়ীত উঠি বহাঁ, সোণ।"

বল্কল গাড়ীত উঠি বহিল। বাটত বাটৰুৱাহঁতলৈ আঙুলিয়াই বল্কলে চালকক সুধিলে, "এই মুনিগণৰ নাম কি?" ঘৰ-দুৱাৰবোৰ দেখি সুধিলে, "এইবোৰ আশ্ৰম কাৰ? ইয়াত কোন কোন মুনি বাস কৰে?" চালক আৰু তাৰ পৰিবাৰে বল্কলৰ কথা শুনি কেৱল হাঁহি থাকিল।

বাটত এটা চোৰে গাড়ীখন ৰখালে। চালকে সেই চোৰটোকে মাৰি-কিলাই চোৰটোৰ ওচৰত থকা বয়-বস্তুখিনি কাঢ়ি লৈ পুনৰ গাড়ীখন চলাই পোতনলৈ বুলি আগবাঢ়িল।

*

পোতন নগৰ পোৱাৰ পাছত চালকে বল্কলক ক'লে. "বোপা. এয়ে হ'ল পোতনাশ্ৰম। ইয়াত কিবা বস্তু পাবলৈ হ'লে টকা-পইচা লাগিব।" এই বুলি

কৈ, বল্কলৰ হাতত কিছুখিনি টকা-পইচা দি চালক গাড়ীখন চলাই তাৰপৰা গুচি গ'ল।

*

অকলশৰীয়া বল্কলে বাটেদি অনাই-বনাই খোজ কাঢ়িবলৈ ধৰিলে। নগৰৰ আটাইবোৰ ঘৰ-দুৱাৰকে সি আশ্রম বুলি ভাবি থাকিল। কিন্তু এইবোৰ আশ্রম দেখি সি বিস্মিত। সি বাটৰুৱাহঁতক কৈছিল, "হে মুনীশ্বৰ, মোৰ নমস্কাৰ গ্রহণ কৰক।"

এইদৰে গৈ গৈ বল্কল এটা ঘৰৰ আগত ৰ'ল। এই ঘৰটো আছিল এগৰাকী বিখ্যাত ৰাজনর্তকীৰ ঘৰ।

বল্কলে ৰাজনর্তকীক দেখা পাই ভেবা লাগি তেওঁৰ পিনে চাই ৰ'ল। তাৰ পাছত বল্কলে ৰাজনর্তকীক ক'লে, "হে মুনীশ্বৰ, মোক এনেহেন কুটীৰ এটা লাগে। মোৰ ওচৰত যিমান পইচা আছে, লোৱাঁ। কিন্তু এনেকুৱা ঘৰ এটা দিয়াঁ।"

ৰাজনর্তকীয়ে ক'লে, "ঠিক আছে। তুমি ভিতৰলৈ আহাঁচোন, তোমাক এনেকুৱা কুটীৰ এটা দিম বাৰু।" ৰাজ-নর্তকীয়ে বল্কলক গা ধোৱালে, বাছক-বনিয়া সাজ-পাৰ পিন্ধালে, খুৱালে। তাৰ পাছত ৰাজনর্তকীয়ে নিজৰ জীয়েকৰ সৈতে



তৎক্ষণাৎ বল্কলৰ বিয়া পাতি দিলে। কিন্তু বিয়াৰ গান, বাদ্য আদি শুনি বল্কলে বৰ ভয়হে খালে।

ইতিমধ্যে সেই নটীহঁতে ৰজা প্রসন্নক সকলো কথা ক'লেহি। ভায়েকক লৈ নহাত প্রসন্ন সিহঁতৰ ওপৰত রুষ্ট হ'ল। আৰু ঠিক তেতিয়াই বিয়াৰ বাদ্য কাণত পৰাত প্রসন্ন অতিপাত ক্রুদ্ধ হৈ উঠিল।

এই বাদ্যৰ কাৰণ অনুসন্ধান কৰাত বল্কলৰ বিয়াৰ কথা ৰজা প্রসন্নই জানিব পাৰিলে। লগে লগে প্রসন্নই তেওঁৰ ভায়েকক তাৰপৰা লৈ আহিল আৰু দেশৰ অর্দ্ধাংশ তাক দি, আন এজনী

ৰাজকুঁৱৰীৰ সৈতে তাৰ বিয়া পাতি দিলে।

* * *

এই ঘটনাৰ কিছুদিনৰ অন্তৰ্ত চুৰিৰ অপৰাধত ৰাজপ্ৰহৰীহঁতে সেই গাড়ীৰ চালকক ধৰি লৈ আহিল। এটা চোৰক মাৰি-কিলাই তাৰপৰা সকলো বয়-বস্তু চুৰি কৰাৰ অপৰাধত চালকক ধৰি অনা হৈছিল। অপৰাধী চালকক ৰজা প্ৰসন্নৰ আগত লৈ অহা হ'ল। ককায়েকৰ কাষত বহি থকা বল্কলে চালকক চিনি পোৱা হ'ল। বল্কলে তাৰ ককায়েক ৰজা প্ৰসন্নক সকলো কথা ক'লে। এটা চোৰে কেনেকৈ এই চালকৰ গাড়ীখন ৰখাইছিল, কেনেকৈ সিহঁত সেই চোৰটোৰ 'কবলৰপৰা ৰক্ষা পৰিছিল—সকলো কথা ককায়েকক ক'লে বল্কলে। তাৰ ফলত সেই গাড়ীৰ চালকে মুক্তি লাভ কৰিলে।

* * *

এইদৰে বাৰ বছৰ পাৰ হোৱাৰ পাছত বল্কলে তাৰ দেউতাকৰ ওচৰলৈ যাব বুলি ভাবিলে। ইতিমধ্যে সোমচন্দ্ৰ পুত্ৰশোকত কান্দি কান্দি দৃষ্টিশক্তিহীন হৈ পৰিছিল। তেতিয়া অন্যান্য মুনি-ঋষিয়ে বল্কলক বিচাৰি ওলাইছিল, আৰু বহু দিনৰ অন্তত বল্কলৰ নতুন জীৱনৰ সম্বাদ সোমচন্দ্ৰক দিছিলগৈ তেওঁলোকে। বল্কল যে তাৰ ককায়েকৰ ওচৰত অৰ্থাৎ প্ৰসন্নৰ ওচৰতে আছে সেই কথাটোও কৈছিল।

পিতৃৰ ওচৰলৈ যাবলৈ বল্কল ৰাওণা হ'ল। ককায়েক ৰজা প্ৰসন্নয়ো লগ ল'লে। দুয়ো পুত্ৰই একেলগে আশ্ৰমলৈ অহাৰ বাতৰি পালে দৃষ্টিহীন সোমচন্দ্ৰই। তেওঁ আনন্দৰ আবেগত ধাৰাসাৰ বৃষ্টিৰ দৰে কান্দি থাকিল। আৰু এই অশ্ৰু-ধাৰাইহে তেওঁক পুনৰ তেওঁৰ হেৰোৱা দৃষ্টিশক্তি ঘূৰাই দিলে। এনে আশ্চৰ্য্যজনক ঘটনা লক্ষ্য কৰি মুনি-ঋষিগণো অতি বিস্মিত কিন্তু আনন্দত আপ্লুত হ'ল।



শিৱ-পুৰাণ

১২

ৰুদ্ৰ আৰু দানৱসকলৰ মাজত বহুদিন ধৰি যুদ্ধ চলি আছিল। কিন্তু সেই যুদ্ধত শংখচূড়ৰ সৈন্যও কম নাছিল। এই ঘটনাত শিৱে তৰধ মানি বিষ্ণুক সুঁৱৰি ক'লে, "ইমান কাল ধৰি যুদ্ধ কৰিছোঁ, তথাপি শংখচূড়ৰ সৈনিকহঁত দেখোন নকমে। হে মহাপ্ৰাণ বিষ্ণু, ইয়াৰ কাৰণ কি ক'বানে?"

এই কথা শুনি বিষ্ণুৱে ক'লে, "শংখচূড় হ'ল তুলসীৰ স্বামী। তুলসীৰ পাতিব্ৰত্যাইহে শংখচূড়ক ইমান শক্তিশালী কৰি তুলিছে। মই তুলসীৰ পাতিব্ৰত্য নষ্ট কৰিবলৈ চেষ্টা কৰিম। তেতিয়া তুমি শংখচূড়ক নিশ্চয় বধ কৰিব পাৰিবা।"

বিষ্ণুৱে শংখচূড়ৰ ৰূপ লৈ তুলসীক ক'লেগৈ, "চোৱাঁ, শিৱক পৰাজিত কৰাত মোৰ বেছি সময়ৰ আৰশ্যক নহ'ব। পিছে—যুদ্ধৰ কথা কোনেও ন-দি ক'ব নোৱাৰে যে যুদ্ধৰ জয়-পৰাজয় কেতিয়া কোনফালে ঢাল ল'ব—কোন মৰিব, কোন জীব। সেয়েহে তোমাক এবাৰ চাবলৈ আহিলোঁ।"

ছদ্মবেশী ৰূপী বিষ্ণুৰ কথাত ভোক গৈ ভাল পাই তুলসীয়ে এই ছদ্মবেশী স্বামীক পৰম মৰমেৰে আদৰ-সাদৰ কৰিলে আৰু তাৰ ফলত পতিব্ৰতা তুলসীৰ মহাপৱিত্ৰ পাতিব্ৰত্য নষ্ট হ'ল।

এই ঘটনাৰ পাছৰেপৰাই শংখচূড়ৰ

'ত্ৰিলোকাধিপতি শংখচূড়'

বাহিনীৰ মাজত পৰাজয়ৰ মনোভাৱ ফুটি উঠিল। সিহঁতে একে একে মৃত্যুৰ মুখত পৰিল। তেতিয়াহে শিৱে ত্ৰিশূলেৰে শংখচূড়ক বধিব পাৰিলে।

*　　*　　*

বিষ্ণুৱে যেতিয়া শংখচূড়ৰ ৰূপ ধৰি তুলসীৰ কাষত শুই আছিল, তেতিয়া বিষ্ণুৰ গভীৰ নিদ্ৰাচ্ছন্ন অৱস্থাত তুলসীয়ে বিষ্ণুৰ প্ৰকৃত ৰূপ দেখা পাইছিল। কিয়নো, নিদ্ৰাচ্ছন্ন অৱস্থাত ছদ্মৰূপ লুপ্ত হৈ পৰে। বিষ্ণুৰ এই প্ৰতাৰণাত ক্ৰুদ্ধা তুলসীয়ে বিষ্ণুক তৎক্ষণাৎ শিলালৈ ৰূপান্তৰিত হোৱাৰ অভিশাপ দিলে।

এই অভিশাপৰ উত্তৰত বিষ্ণুৱে তুলসীক ক'লে, "তুমি হ'বা গণ্ডকী নদী আৰু মই শালগ্ৰাম শিলা হৈ অনন্তকাললৈ তোমাৰ মাজতে থাকিম। তোমাৰ নামধাৰী বৃক্ষ সকলোতে পূজনীয় হ'ব।" এই বুলি কৈ বিষ্ণুৱে তুলসীক লৈ তৎক্ষণাৎ গোলোকলৈ গুচি গ'ল।

*　　*　　*

সুপ্ৰাচীনকালত সালংকায় নামৰ এগৰাকী মুনিৰ পুত্ৰৰ নাম আছিল শিলাদ। শিলাদৰ কোনো সতি-সন্ততি নথকাত তেওঁ কৈলাসলৈ গৈ শিৱ-পাৰ্বতীৰ তপস্যাত মগ্ন হ'ল।

*　　*　　*

পাৰ্বতী পৰমেশ্বৰপৰা পুত্ৰলাভ কৰাৰ বৰ লাভ কৰি শিলাদ নিজৰ আশ্ৰমলৈ উভতি গ'ল। কিন্তু বহুদিনৰ অন্ততো সন্তান লাভ নোহোৱাত যজ্ঞ পাতিবলৈ মন মেলিলে। যজ্ঞৰ বাবে মাটি খান্দোতে মাটিৰ তলত এটি শিশুপুত্ৰ দেখা পাই বুটলি আনিলে।

এই শিশুটিৰ নাম নন্দ।

*　　*　　*

এবাৰ বৰুণ প্ৰমুখ মুনিগণে শিলাদৰ আশ্ৰমলৈ আহি তাত নন্দক দেখা পালে আৰু ক'লে যে নন্দৰ আয়ুস অতি কম।

Sankar

মুনিগণে কোৱা কথা শুনি শিলাদ দুশ্চিন্তাগ্ৰস্ত হ'ল।

পিতৃক দুশ্চিন্তাগ্ৰস্ত হোৱা দেখি নন্দই কেদাৰলৈ গৈ পাৰ্বতী-পৰমেশ্বৰৰ তপস্যা কৰি থাকিল। পাৰ্বতী-পৰমেশ্বৰে নন্দক দৰ্শন দান কৰি বৰ খুজিবলৈ কোৱাত নন্দই ক'লে, "মই দীৰ্ঘায়ু হৈ তোমালোকৰ সেৱাত জীৱন কটাব খুজিছোঁ আৰু এইদৰেই ময়ো এই জগতত পূজিত হ'ব খুজিছোঁ।"

পাৰেৰতী-পৰমেশ্বৰে নন্দক বৰদান কৰিলে। তাৰ পাছত নন্দৰ নাম হ'ল নন্দীশ্বৰ। শিৱই নিজৰ জটাৰপৰা ওলোৱা গংগাৰ সহায়ত নন্দীশ্বৰক অভিষিক্ত কৰিলে। শিৱৰ জটাৰপৰা ওলোৱা এই অভিষেকৰ পানীৰে ত্ৰিস্ৰোতা, জটোদয়, স্বৰ্ণোদয়, জম্বু আৰু বৃষধ্বজ নামৰ পাঁচখন নৈৰ সৃষ্টি হ'ল।

তাৰ পাছত নন্দীশ্বৰে মৰুত্তৰ ৰূপৱতী জীয়েক সুকীৰ্তিক বিবাহ কৰালে।

* * *

সৃষ্টিৰ আদিকালত ব্ৰহ্মাই বিষ্ণু-মহেশ্বৰক কৈছিল, "মই হ'লো পৰম ব্ৰহ্মৰ স্বৰূপ, এতেকে — তোমালোকে মোক সেৱা কৰাঁ।"

এই কথা শুনি ঈশ্বৰে ৰুদ্ৰৰূপ ধাৰণ কৰাত ত্ৰিশূলধাৰী মূৰ্তিয়ে পৰমেশ্বৰক প্ৰশ্ন কৰিলে, "হে পৰমেশ্বৰ, তেনেহ'লে মোক বুজাই কোৱাঁ মোক সৃষ্টি কৰিলা কিয়?"

"এই ব্ৰহ্মাক দণ্ডদান কৰাঁ।" ঈশ্বৰে নিৰ্দেশ দিয়াত ত্ৰিশূলধাৰীয়ে পঞ্চমস্তক-বিশিষ্ট ব্ৰহ্মাৰ এটা মস্তক কাটি পেলালে। আৰু লগে লগে এই মস্তক সবেগে উফৰি পৰিলগৈ কাশীত।

ব্ৰহ্মাক শাস্তি দিবলৈ ঈশ্বৰে সৃষ্টি কৰা এই ত্ৰিশূলধাৰীৰ নাম হ'ল কাল-ভৈৰৱ। আৰু এই ভয়ংকৰ কালভৈৰৱ হ'ল ঈশ্বৰৰ দেহৰক্ষী।

কিন্তু ঈশ্বৰৰ দেহৰক্ষী হোৱা সত্ত্বেও



ব্ৰহ্মহত্যাৰ ফলত কালভৈৰৱ মহাপাতকী হ'ল। তেতিয়া ঈশ্বৰে কালভৈৰৱক ক'লে, "কালভৈৰৱ, ব্ৰহ্মহত্যাৰপৰা মুক্তিলাভ কৰিবলৈ হ'লে তুমি বিভিন্ন তীৰ্থ পৰিক্ৰমাৰ অন্তত অতি অৱশ্যেই কাশীলৈ যোৱা।"

ঈশ্বৰৰ কথামতে কালভৈৰৱে কাশীধামলৈ গৈ কাশীত গংগাস্নান কৰিলেগৈ আৰু তেতিয়া সৰ্ব-পাপমুক্ত হ'ল।

•

প্ৰাচীনকালত ব্যাঘ্ৰপাদ নামৰ এগৰাকী মুনি আছিল। ব্যাঘ্ৰপাদ মুনি আৰু তেওঁৰ পত্নী আছিল শিৱভক্ত। শিৱৰ আৰাধনাৰে প্ৰাপ্ত এওঁলোকৰ একমাত্ৰ পুত্ৰৰ নাম আছিল উপমন্যু।

পাঁচ বছৰ বয়সত উপমন্যুৱে তাৰ মাকক সুধিলে, "মা, মোক গাখীৰ নিদিয়া কিয়? আটাইবোৰ ল'ৰাই গাখীৰ খায়, তেনেহ'লে মইনো কিয় গাখীৰ খাবলৈ নাপাম?"

"বোপা, আমি যে দুখীয়াৰো দুখীয়া। ক'তনো আমি ইমান মহচা গাখীৰ পাম?" মাকে উপমন্যুক ক'লে।

"আমি কেনেকৈনো দুখ গুচাব পাৰিম?" উপমন্যুৱে সুধিলে।

তেতিয়া তাক তাৰ মাকে ক'লে, "বোপা, তুমি কৈলাসলৈ গৈ এই মন্ত্ৰ জপ কৰি থাকিলে পাৰ্বতী পৰমেশ্বৰপৰা নিশ্চয় দুখ গুচোৱাৰ বৰ পাবা।"

কৈলাসপৰ্বতত উপমন্যুৱে শিৱপঞ্চাক্ষৰী মন্ত্ৰ জপ কৰি থাকোঁতে শিৱই ছদ্মবেশ ধাৰণ কৰি উপমন্যুক ক'লেহি, "ইয়াত অকলে নাথাকিবা। ইয়াত ঢেৰ হিংস্ৰ-জন্তু আছে। তুমি এতিয়াই গুচি যোৱা ইয়াৰপৰা।"

উপমন্যুৱে ক'লে, "পাৰ্বতী-পৰমেশ্বৰে নিশ্চয় মোক হিংস্ৰ জন্তুৰপৰা ৰক্ষা কৰিব। মই কদাপি গুচি নাযাওঁ এই ঠাই এৰি।"

পাছ মুহূৰ্ত্ততে বাঘৰ গৰ্জন শুনা গ'ল।

কিন্তু উপমন্যুৱে নির্ভয়ে শিৱপঞ্চাক্ষৰীমন্ত্র জপ কৰি থাকিল।

অৱশেষত পার্বতী-পৰমেশ্বৰে উপমন্যুক বৰ খুজি ল'বলৈ ক'লে।

উপমন্যুৱে শিৱৰ পার্থিৱ লিংগৰ ৰূপ ধৰি পৃথিৱীত পূজিত হোৱাৰ আৰু অষ্ট ঐশ্বর্য্য প্রাপ্তিৰ বৰ খুজি ল'লে। আৰু এইদৰে দেৱাদিদের শিৱৰপৰা বৰপ্রাপ্ত হৈ তেতিয়াৰপৰা উপমন্যুৱে সুখী জীৱন যাপন কৰিব পৰা হ'ল।

*

আদিকালত দেৱতা আৰু দানৱহঁতৰ মাজত বহুকালব্যাপী যুদ্ধ চলি থাকোঁতে দেৱতাসকলৰহে অধিককৈ পৰাজয় তথা মৃত্যু ঘটিছিল। তেতিয়া দানৱহঁতৰ ভয়ংক ধৰণৰ অত্যাচাৰৰপৰা ৰেহাই পাবলৈ দেৱতা সকলে একযোগে বিষ্ণুৰ ওচৰত প্রার্থনা জনাইছিলগৈ।

বিষ্ণুৱে কৈছিল, "তোমালোকে এনেকৈ যুদ্ধ কৰি দানৱহঁতক পৰাস্ত কৰিব নোৱাৰিবা। এটা কাম কৰা। মন্দৰ পৰ্বতক মন্থনদণ্ডৰূপে ব্যৱহাৰ কৰি ক্ষীৰ-সাগৰ মন্থন কৰাঁগৈ। যেতিয়া ক্ষীৰ-সাগৰৰপৰা অমৃত উত্থিত হ'ব, তেতিয়া, সেই অমৃত পান কৰিলেহে তোমালোক দানৱহঁতৰ বিৰুদ্ধে বিজয়ী তথা অমৰ হ'ব পাৰিবা।"

বিষ্ণুৰ কথা শুনি দেৱতাসকল কথঞ্চিত আশ্বস্ত হ'ল আৰু তেতিয়াই মন্দৰ পৰ্বতলৈ বুলি লৰি গ'ল কালক্ষেপ নকৰি।

কিন্তু দেৱতাসকলে মন্দৰ পৰ্বতক অলপো লৰাব নোৱাৰিলে। নিৰুপায়ত পৰি তেওঁলোক পৰমেশ্বৰৰ কাষ চাপিল। পৰমেশ্বৰে যাতে বিষ্ণুৰ মূর্তি ধৰি মন্দৰ পৰ্বতক মন্থনদণ্ডৰূপে ব্যৱহাৰ কৰিবলৈ প্রয়োজনী ব্যৱস্থা কৰি দিয়ে—তাৰ বাবে দেৱতাসকলে পৰমেশ্বৰৰ ওচৰত কাতৰ মিনতি কৰিবলৈ ধৰিলে।

চোৰ আৰু মোৰ

এবাৰ চাৰিজন গাঁৱলীয়া মানুহে বাগদাদ নগৰলৈ গৈ এখন খাজিখোৱাত আশ্ৰয় ল'লে। তাৰ পাছত সিহঁত বস্তু-বাহানি কিনিবলৈ ওলাল, আৰু এই ছেগতে ৰ'দত শুকাবলৈ দিয়া সিহঁতৰ পোছাক-পাতিখিনি এটা চোৰে চুৰ কৰি লৈ গ'ল। এই চোৰটোৰ নাম আছিল নাস্তাক।

কিন্তু পোছাকখিনি আওপুৰণি হোৱাত চোৰটোৱে বেচিব নোৱাৰিলে। তথাপি গ্ৰাহকৰ আশাত সি বজাৰত বহি থাকিল।

বহুতো পৰলৈকে বহি থকাৰ পাছত জাঁপ মাৰি মাৰি বান্দৰ এটা চোৰটোৰ ওচৰত আহিল আৰু বান্দৰটোৱে নাচি-বাগি খেল দেখুৱাবলৈ ধৰিলে। এই ছেগতে পোছাকপাতিখিনি বান্দৰটোৰ গৰাকীয়ে সৰকালে। ই-ও আছিল এটা চোৰ। বান্দৰ নচুৱাই চুৰ কৰিছিল ই।

পাছদিনা অনাই-বনাই ঘূৰি ফুৰোঁতে প্ৰথমটো চোৰ নাস্তাকে আন এখন বজাৰ পালেগৈ। তাত এজনে চিঞৰি চিঞৰি কৈ আছিল, "শুনক মিঞাভাইসকল, মই কাপোৰ-কানিৰ খানদানী কাৰবাৰী, যদিও ফটাকানিৰ। কিন্তু মোৰ কাৰবাৰত লোকচান হ'ল, আৰু সেয়েহে এই কাপোৰখিনি প্যানীৰ দামত বেচিছোঁ।"

নাস্তাক চোৰে বাকচত ভৰাই থোৱা কাপোৰ বাকচ খুলি চাবলৈ ধৰাত কাৰবাৰীয়ে ক'লে, "বাকচ নুখুলিব, নুখুলিব। খুলিলেই চাৰিগুণ দাম দিব লাগিব, নহ'লে পানীৰ দামত লৈ য'ক। বাকচত অতি দামী পোছাক আছে— বেবাক পানীৰ দামতে লৈ য'ক।"

‘আৰবদেশৰ দাস্তাঁ (সাধু)’

প্ৰথমটো চোৰে অৰ্থাৎ নাস্তাকে কেইবাকচমান কাপোৰ কিনিলে আৰু আন ঠাইলৈ গৈ এইখিনি চৰা দামত বেচিব বুলি তাৰপৰা গুচি গ'ল।

আৰু সেই কাপোৰৰ কাৰবাৰীও তিমানতে তাৰপৰা ফুটিল।

অলপদূৰ আগবাঢ়ি যোৱাৰ পাছত নাস্তাকে বাকচ এটা খুলি ধৰ হৈ গ'ল। বাকচত দেখোন তাৰ পোছাকপাতিখিনি! তাৰ পাছত বাকীকেইটা বাকচো খুলি চালে সি। সেই বাকচকেইটাতো তাৰ সেই পোছাকপাতিখিনি!

আৰু তেতিয়াহে নাস্তাকচোৰে বুজি পালে তাক বুৰ্বক বনাই সেই বান্দৰ-নচুৱা চোৰটোৱে তাক দুবাৰকৈ বিষমভাৱে ভাঁৰিব পাৰিলে।

তেতিয়া নাস্তাক চোৰে ভাবি থাকিল: এই পোছাকপাতিখিনি যেতিয়া মই চুৰ কৰিলোঁ, তেতিয়া কোনোবাই দেখা পাব বুলি ভয়তে বলিয়াহেন হৈছিলোঁ। যেতিয়া বান্দৰনাচ দেখুৱাই আন এটা চোৰে মোৰ সৰ্বনাশ কৰিলে, তেতিয়া বৰ দুখ পাইছিলোঁ। আৰু এতিয়া মইহে নে মোৰ বস্তুবোৰ কিনি আনিলোঁ! এইবোৰেৰে কি প্ৰমাণ হৈছে? প্ৰমাণ হৈছে যে—এইবোৰ নাশ্ৰুত-নাভূত কথা-কাণ্ডৰ গুৰিত আছে সেই চাৰিটা গাঁৱলীয়াৰ অভিশাপ। আগলৈ যে আৰু কত কি ঘটিব—কোনে ক'ব?

এইবোৰ কথা ভাবি চোৰটোৱে আটাইবোৰ পোছাকপাতি টোপোলা এটাত বান্ধি লৈ, ৰাতিৰ এন্ধাৰত হাতত সাৰে ভৰিত সাৰে সেই খাজিখোৱালৈ গৈ, টোপনিয়াই থকা সেই চাৰিজন গাঁৱলীয়াৰ কাষত টোপোলাটো লাহেকৈ থৈ, মুহূৰ্তলৈকো পিছফাললৈ ঘূৰি নোচোৱাকৈ, তাৰপৰা চিধ্ধাই গুচি গ'ল তাৰ নিজৰ বিবিৰ কাষলৈ।

ঈশ্বৰচিন্তা

শ্ৰীপুৰ গাঁৱৰ মহাপণ্ডিত কৃষ্ণশাস্ত্ৰীদেৱে প্ৰতি বছৰ নদিন নৰাতিব্যাপী এক মহোৎসৱ পাতিছিল। এই মহোৎসৱৰ মুখ্য বিষয় আছিল ঈশ্বৰচিন্তা। তেওঁ এই মহতী-অনুষ্ঠানত সাৰগৰ্ভ ভাষণ দান কৰিছিল।

কৃষ্ণশাস্ত্ৰীৰ পুত্ৰৰ নাম আছিল হৰিদাসশাস্ত্ৰী। হৰিদাসেও তাৰ পিতৃৰ দৰে জ্ঞান আৰ্জিছিল আৰু ঈশ্বৰবিষয়ক ভাষণ দিব পাৰিছিল।

এবাৰ উৎসৱৰ সময়ত. দুটা দিন পাৰ হোৱাৰ অন্তত, কৃষ্ণশাস্ত্ৰী হঠাৎ অসুস্থ হৈ পৰিল। তৃতীয় দিনৰ সভাত কৃষ্ণশাস্ত্ৰীয়ে তেওঁৰ পুত্ৰ হৰিদাসক ভাষণ দিবলৈ ক'লে।

তৃতীয় দিনত নিৰ্দিষ্ট সময়ত কৃষ্ণশাস্ত্ৰীৰ পৰিবৰ্তে ভাষণ দিবলৈ যেতিয়া হৰিদাস মঞ্চোপৰি থিয় হ'ল, তেতিয়া সভাস্থ শ্ৰোতাসকল বহাৰপৰা উঠি ঘৰমুৱা হ'ল। এই দৃশ্য দেখি হৰিদাসে ক'লে, "হে ভক্তসকল, মোৰ এটি আবেদন অনুগ্ৰহ কৰি শুনক। আজি, আপোনালোকৰ মৰমৰ কৃষ্ণশাস্ত্ৰীদেউ অসুস্থ হোৱাৰ ফলত ইয়ালৈ আহিব নোৱাৰিলে। আপোনালোকৰ মাজত যিসকলে কেৱল কৃষ্ণশাস্ত্ৰীৰ ভাষণ শুনিবলৈ আহিছিল, তেওঁলোক গুচি যাব পাৰে। আৰু যিসকল ভক্তই ঈশ্বৰচিন্তাত ডুব দিবলৈ বিচাৰে, তেওঁলোক বহি থাকক।"

এই কথা শুনি খোজ লোৱা সভাস্থ শ্ৰোতাসকল পুনৰ নীৰৱে-নিমাতে বহি পৰিল।



প্ৰকৃত সৌন্দৰ্য্য

সুবৰ্ণদেশৰ ৰাজকুঁৱৰীৰ নাম মোহিনী। নামতো মোহিনী, ৰূপতো মনমোহিনী। চালে চকু ৰৈ যায়। কিন্তু এই চালে চকুৰোৱা ৰূপৰ কাৰণেই তেওঁৰ বিয়াত সমস্যাই দেখা দিলে। নিজৰ ৰূপ-গৌৰৱত তেওঁ আছিল ওফোন্দা-ভেম। যিকোনো দেশৰ ৰাজকোঁৱৰৰ ছবি দেখিয়েই তেওঁ নাক কোঁচাইছিল। তেওঁৰ নিজৰ ৰূপৰ যোগ্য ৰূপৱান পাত্ৰ পোৱা সহজ নহয় বুলি তেওঁৰ এক অহংকাৰী ধাৰণা আছিল। এইবোৰ কাৰণত মোহিনীৰ কথাত ৰজা অত্যন্ত দুশ্চিন্তাগ্ৰস্ত হ'ল।

এনেকুৱা এক অস্থিৰ অৱস্থাৰ মাজতে, উদ্যানত ভ্ৰমি ফুৰোঁতে, এদিন হঠাৎ এদল ডকাইতে মোহিনীক ধৰি লৈ গ'ল। এই ডকাইত দলৰ চৰ্দাৰৰ নাম আছিল পাষণ্ড। ঘোঁৰাৰ পিঠিত উঠাই, পাষণ্ডই ৰাজকুঁৱৰীক সিহঁতৰ ডেৰালৈ অথাৎ তম্বুলৈ লৈ গ'ল। পাষণ্ডৰ ডেৰা আছিল ৰাজধানীৰপৰা দূৰৈত এটা পাহাৰৰ গুহাত।

*

এই গুহাত পাষণ্ডই সপৰিয়ালে বাস কৰিছিল। পাষণ্ডৰ পৰিবাৰৰ নাম আছিল পাতকী। পাষণ্ডৰ চাৰিবছৰীয়া ছোৱালী এজনীও আছিল। পাষণ্ডৰ ঘৰুৱা কাম-বন কৰাৰ বাবে দুজন বুঢ়া মানুহ আৰু এজন আদবয়সীয়া তিৰোতা আছিল। পাষণ্ডৰ অতি আদৰৰ ছোৱালীজনীৰ নাম আছিল পীৰিতি।

পাষণ্ডই মোহিনীক ক'লে "মোৰ যে এইটোৱেই ঘৰ, ইয়াতে যে মই সপৰিয়ালে থাকোঁ, তুমি দেখিছাই। মোৰ

নাম পাষণ্ড। মই ডকাইত দলৰ চৰ্দাৰ। মোৰ অনুমতি বিনে ইয়াত কোনো কাম কৰা নহয়।"

"কিন্তু মোক তুমি কিয় ইয়ালৈ আনিলা—সেই কথাটো কোৱাঁ।" ক্রুদ্ধা ৰাজকুঁৱৰী মোহিনীয়ে টিকচি-বিকচি উঠি ক'লে।

পাষণ্ডই শান্ত কণ্ঠেৰে ক'লে, "অনাৰ কাৰণ নিশ্চয় আছে। মোৰ পৰিবাৰ ইয়াত থাকে। তেওঁৰ একো অভাৱ নাই। কিন্তু যিহেতু গুহাৰ ভিতৰত থাকিবলগা হয়, সিহেতু লাগ বুলিলেই সকলো সময়মতে নাপায়। তাৰ ফলত তেওঁৰ খং উঠে। মই তেওঁক কওঁ 'তোমাক যেতিয়াই যি লাগে মই দিম। পিছে মোক আমনি নিদিবা'। মোক এদিন তেওঁ ক'লে, 'তোমাৰ ক্ষমতা যদি ইমানেই, তেনেহ'লে দেশৰ ৰাজকুঁৱৰীক লৈ আহাঁচোন চাওঁ. মই ৰাজকুঁৱৰীৰ দ্বাৰাই ঘৰুৱা কাম-বন কৰাম'। তেওঁৰ ইচ্ছা পূৰণৰ বাবেহে তোমাক লৈ অহা হ'ল তোমাৰ ইচ্ছাৰ বিৰুদ্ধে. মোৰ পৰিবাৰৰ ইচ্ছাৰ সপক্ষে আৰু মোৰ ইচ্ছাত।"

পাষণ্ডৰ কথা শুনি অবাক ৰাজকুৱৰীয়ে পাষণ্ডলৈ পৰিপূৰ্ণ দৃষ্টি মেলি চালে। পাষণ্ড চাৰিহাততকৈয়ো অধিক ওখ। গাৰ বৰণ সোণ যেন। সুপুৰুষ। অতি ধুনীয়া। চালে চকু ৰৈ যায়। কিন্তু তাৰ পৰিবাৰ ঠিক তাৰ বিপৰীত। ক'লী কদাকাৰ-মেদেলী। বহিলে উঠিব নোৱাৰে, উঠিলে বহিবলৈ টান পায়। পাষণ্ডৰ ছোৱালীজনীও মাকৰ নিচিনা। পীৰিতিয়ে মাকৰ সকলো গুণ পাইছে, পাইছে গাৰ ধুনীয়া বৰণো।

পাষণ্ড আৰু মোহিনীয়ে কথা পাতি থাকোঁতে এজন বুঢ়া মানুহ তাত আহিল আৰু মোহিনীৰ মোহিনী ৰূপ দেখি কৈ উঠিল, "চৰ্দাৰে এইজনী ৰূপহীক জীৱন-

লগৰী কৰি ল'ব যেন পাইছোঁ।"

লগে লগে পাষণ্ডই এই বুঢ়াৰ গালত কাণটলীয়া চৰ এপাত শোধাই দিলে আৰু ক্রুদ্ধ কণ্ঠেৰে ক'লে, "এজনীতকৈ অধিক পৰিবাৰ মোক কোনোদিনে নালাগে। আকৌ কেতিয়াবা এনেবোৰ কথা কৰ যদি তোৰ মৰণ মোৰে হাতত হ'ব, বুঢ়া বদমাছ!"

*

মোহিনী এই গুহাত থাকিবলৈ বাধ্য হ'ল। তাই যে কেনেকৈ তাৰপৰা মুক্তি পাব ভাবি ভাবি পাৰ-কূল নোপোৰা হ'ল। মোহিনীয়ে বাধ্যত পৰি তাত কাম-বন কৰি থাকিল। তাত থকা বুঢ়া চাকৰ দুজনৰ মাজত এজনৰ নাম আছিল নৰোত্তম। নৰোত্তমে মোহিনীক ক'লে, "চোৱা মোহিনী, ইয়াত তুমি সম্প্রতে বন্দিনী। পিছে—তোমাৰ ৰূপ চাই ভোল নোযোৱা মানুহ কোনো নোলাব। তুমি তোমাৰ ৰূপেৰে আমাৰ চৰ্দাৰক আকর্ষণ কৰিব পাৰা যদি—ইয়াৰপৰা মুক্তি পাবা, নহ'লে কি হ'ব মই ক'ব নোৱাৰোঁ। আমাৰ সোণবৰণীয়া চৰ্দাৰ তোমাৰ ৰূপৰ পক্ষে অযোগ্য নহ'ব যেন পাওঁ।"

"এইবোৰ কথা ক'বলৈ লাজ লগা নাইনে তোমাৰ? মই হ'লোঁ স্বৰ্ণদেশৰ ৰাজকুঁৱৰী। চোৰ-ডকাইতক বিয়া কৰাম মই?" ৰাজকুঁৱৰীয়ে তিহতিহাই উঠি নৰোত্তমক ক'লে।

"আমাৰ চৰ্দাৰ ডকাইত ঠিকেই; কিন্তু ইমান সুপুৰুষ এজন ৰজাৰ ঘৰতো বিচাৰি নোপোৱা। মোৰ প্রস্তাৱটো—মিছা-মিছিকৈ খং নকৰি—ভাবি চাবা।" বৃদ্ধ নৰোত্তমে পুনৰ ক'লে।

নিৰুপায়ত পৰি মোহিনী নৰোত্তমৰ প্রস্তাৱত মান্তি হ'ল।

এদিন মোহিনীয়ে গা ধুই ৰঙা বৰণৰ সাজ-পাৰ পিন্ধি পাষণ্ডৰ আগত ৰ'লহি। তেতিয়া পাষণ্ড গভীৰ চিন্তাত মগ্ন আছিল।



হঠাৎ পাষণ্ডই কৈ উঠিল, "এই সাজ-পাৰেও তোমাক শুৱাইছে, পিছে—নীল বৰণীয়া সাজ-পাৰেৰে তোমাক আৰু বেছিকৈ শুৱাব চাবা।"

"তুমিনো এই কথা কেনেকৈ জানিলা ?" মোহিনীয়ে ক'লে।

"মোৰ পৰিবাৰে কৈছে। ৰূপচৰ্চাত তেওঁতকৈ অধিক জ্ঞান আন কোনোবা-জনীৰ আছে বুলি মই নাজানো।" পাষণ্ডই নিৰ্লিপ্ততাৰে ক'লে।

কেইদিনমানৰ পাছত নীলবৰণীয়া সাজ-পাৰ পিন্ধি মোহিনীয়ে পাষণ্ডক আকৰ্ষণ কৰাৰ চেষ্টা দিলে। পাষণ্ডক শুনাই শুনাই শ্ৰীকৃষ্ণৰ বালককালৰ গানো গালে এটা তাই।

পাষণ্ডই মোহিনীৰ গান শুনি ক'লে, "তোমাৰ মাত ভালেই। পিছে—ইয়াত কৃষ্ণৰ গান নাগাবা। মোৰ পৰিবাৰে কৃষ্ণক ভাল নাপায়। মোৰ পৰিবাৰ হ'ল শিৱ ভক্ত, তুমি ইয়াত সদায় শিৱৰ গীত গাবা।"

এই কথা শুনি মোহিনীৰ অত্যন্ত খং উঠিল ; কিন্তু একো কৰিব নোৱাৰি মনে মনে থাকিল।

তাৰ পাছত মোহিনীয়ে পাষণ্ডৰ আগত নাচিবলৈ ধৰিলে। পাষণ্ডই মোহিনীক ৰখাই ক'লে, "যেতিয়াই-তেতিয়াই নানাচিবাচোন। মোৰ পৰিবাৰে ক'লেহে তুমি নাচিবা-গাবা।"

এদিন মোহিনীয়ে পাষণ্ডক ক'লে, "তুমি যে এলাপেচা ডকাইত এটা নহয়, তোমাৰ ক্ষমতা যে অসীম—এনেবোৰ কথা তোমাৰ অনুচৰ তথা লগুৱা-লিগিৰী-হঁতেও কয়। তোমাৰ কি যে ক্ষমতা আছে মোৰ দেখাৰ বৰ মন।"

"যদি মনেই — তেনেহ'লে মোৰ পৰিবাৰৰপৰা অনুমতি লোৱাগৈ মোৰ লগত গভীৰ অৰণ্যলৈ যাবলৈ।" চৰ্দাৰে ক'লে।

মোহিনীয়ে পাষণ্ডৰ পৰিবাৰ পাতকীক



ক'লেগৈ, "মই তোমাৰ তেওঁৰ ক্ষমতাৰ ৰহস্য-ৰূপ চাবলৈ তেওঁৰ সৈতে গভীৰ অৰণ্যলৈ যাম বুলি ভাবিছোঁ। কিন্তু তুমি মোক বিশ্বাস কৰি অনুমতি দিবানে বাৰুনে মই মোৰ ৰূপেৰে তোমাৰ গিৰিয়েৰাক—"

"তোমাৰ সেই ৰূপেৰে তেওঁক একো কৰিব নোৱাৰা।" পাতকীয়ে হাঁহি মাৰি ক'লে, "আমাৰ ভালপোৱা যে কিমান গভীৰ সেই কথা নাজানা বাবেহে এনেকৈ কৈছা। তুমি তেওঁৰ লগত বনলৈ নালাগে—য'লৈকে মন যায় ত'লৈকে যাব পাৰা জহন্নামলৈকো যাব পাৰা।

পাষণ্ডই মোহিনীক গভীৰ অৰণ্যলৈ লৈ গ'ল। তাত এটা ফেটীসাপৰ নেগুৰত ধৰি পকাই দলিয়াই পেলালে, বিজুলী গতিৰে চেকুৰি যোৱা পহু এটাক কাঁড়েৰে বিন্ধিলে। আনকি বনৰজাকো যে পাষণ্ডই পৰোৱা নকৰে সেই কথা ক'লে।

মোহিনীয়ে অবাক মানি পাষণ্ডক ক'লে, "তোমাৰ ক্ষমতালৈ চাই তোমাক কোনোবা বিখ্যাত দেশৰ এগাৰাকী ৰাজকোঁৱৰ যেনহে লাগিছে। তোমাৰ ক্ষমতা সঁচাকৈয়েই অপৰিসীম।"

"তুমি মোক প্ৰশংসা কৰিলা, পিছে—মই বৰ ভাল পোৱা নাই। কিয়নো মোৰ পৰিবাৰে আজিপৰ্য্যন্ত মোৰ প্ৰশংসা কৰা নাই। মই অৰ্জুনৰ দৰে কাঁড়েৰে পাতালৰপৰা পানী উলিয়াব নোৱৰা বাবে তেওঁ মোক অতি অক্ষম পুৰুষ বুলি কয়।" পাষণ্ড বেজাৰ পোৱা যেন হ'ল।

হঠাৎ ৰাজকুঁৱৰীয়ে পাষণ্ডক সুধিলে, "এটা কথা সোধোঁনে? সঁচা উত্তৰ দিবা। মোৰ ৰূপ চাই ভোল নোযোৱা ৰাজকোঁৱৰ ক'তো আছেনে নাই ক'ব নোৱাৰোঁ। কিমান ৰাজকোঁৱৰে যে মোক বিয়া কৰাব খুজিছিল! কিন্তু তুমিনো মোলৈ এইদৰে সদায় এক চৰম উপেক্ষা প্ৰদৰ্শন কৰিছা কেনেকৈ?"

পাষণ্ডই ৰাজকুঁৱৰীলৈ তীব্ৰ দৃষ্টিৰে চাই লাহেকৈ ক'লে,"মই বাহিৰৰ ৰূপতকৈ ভিতৰুৱা সৌন্দৰ্য্যকহে অধিক ভাল পাওঁ। সেয়েহে পাতকীত মোৰ ইমান আসক্তি।"

অৰণ্যৰপৰা উভতি আহি মোহিনীয়ে বৃদ্ধ নৰোত্তমক সকলো কথা ক'লে। মোহিনীয়ে নৰোত্তমক ক'লে, "মই যে কেনেকৈ ইয়াৰপৰা মুক্তি পাম তাকেহে মই ভাবি পোৱা নাই।"

"আৰু মাত্ৰ এটাহে উপায় আছেগৈ। আমাৰ চৰ্দাৰৰ পৰিবাৰৰ মন জয় কৰাৰ চেষ্টা কৰা। 'নহ'লে—কথা বিষমেই।" নৰোত্তমে ক'লে।

পাছদিনা নৰোত্তমে মোহিনীৰ সৈতে পৰামৰ্শ কৰি পাতকীয়ে অহা-যোৱা কৰা বাটত কলৰ বাকলি পেলাই থ'লে। অলপ পাছত সেই বাটেৰে আহি থাকোঁতে কলৰ বাকলিত ভৰি দি পিছল খাই পৰিবলৈ ধৰোঁতেই মোহিনীয়ে পাতকীক সাবট মাৰি ধৰি পিছল খাই পৰাৰপৰা কথমপি ৰক্ষা কৰিলে।

এই ঘটনাত পাতকীয়ে মোহিনীক ভাল পাই পেলালে। পাতকীয়ে ক'লে, "শুনা, তুমি সঁচাকৈয়েই বৰ ভাল ছোৱালী। তোমাক মই এটা বিশেষ কাৰণত ইয়ালৈ অনালোঁ। তুমি মোৰ তেওঁক ৰাজধানীলৈ নি ৰজাক কৈ-মেলি যদি ক্ষমা আদায় কৰি দিব পাৰা—তেনেহ'লে এই গুহা-জীৱনৰপৰা ময়ো মুক্তিলাভ কৰিব পাৰোঁ।"

ৰাজকুঁৱৰী মোহিনী এই প্ৰস্তাৱত তৎক্ষণাৎ সন্মত হ'ল।

পাতকীৰ কথা মতে পাষণ্ডই মোহিনীক ঘোঁৰাত উঠাই ৰাজধানীলৈ লৈ গ'ল। মোহিনীৰ আদেশত প্ৰহৰীহঁতে পাষণ্ডক বন্দী নকৰিলে। পাষণ্ডই ৰজাক ক'লে, "মহাৰাজ, এয়া লওক, আপোনাৰ কন্যাক লৈ আহিছোঁ। মই কিয় যে তেওঁক অপহৰণ কৰি নিছিলোঁ, আপুনি তেওঁৰ মুখৰপৰাই সেই কথখিনি শুনিব।"

মোহিনীয়ে তৎক্ষণাৎ কৈ উঠিল, "দেউতা, মোৰ অনুৰোধ, এই যুৱকক ইয়াৰপৰা ক'লৈকো যাবলৈ নিদিবা। এওঁক মই বিয়া কৰাম।"

এই কথা শুনিয়েই পাষণ্ডই পলাই যাবলৈ চেষ্টা দিলে। কিন্তু ৰাজপ্ৰহৰীহঁতে তাক বন্দী কৰাত পলাব নোৱাৰিলে।

ৰজাই তেওঁৰ জীয়েকক ক'লে, "মোহিনী, তুমি কোনোবা এজনক বিয়া কৰাব খুজিছা—সেয়ে মোৰ পক্ষে অতি আনন্দৰ কথা!"

পাছদিনাই ৰজাই পাষণ্ডৰ সৈতে মোহিনীৰ বিয়া পাতি দিলে।

বিয়াৰ পাছত মোহিনীয়ে পাষণ্ডক ক'লে, "এতিয়া তুমি ইচ্ছা হ'লে মোক এৰি গুচি যাবা পাৰা, মই তোমাৰ বাট চাই ৰৈ থাকিম।" এই বুলি কৈ, মোহিনীয়ে পাষণ্ডক প্ৰণাম কৰিলে।

পাষণ্ডই ক'লে, "শুনা মোহিনী, মই প্ৰতাপদেশৰ ৰাজকোঁৱৰ শৌৰ্যসেন। তুমি সহজভাৱে কাকো বিয়া নকৰোৱা দেখি মই তোমাৰ প্ৰতি উপেক্ষা প্ৰদৰ্শন কৰিছিলোঁ। কিয়নো, একমাত্ৰ উপেক্ষা প্ৰদৰ্শন কৰিলেহে তোমাক পাব পাৰোঁ বুলি মোৰ ধাৰণা হৈছিল। মই বা গুহাত থকা সেই মানুহবিলাকৰ কোনো ডকাইত নহয়। তেওঁলোক আটাইবিলাকেই তোমাৰ দেউতাৰাই বন্দৰস্ত কৰি দিয়া ছদ্মবেশী অনুচৰ। পাতকীও। তোমাৰ কাৰণেই এই নাটৰ পাতনি তৰা হৈছিল। এতিয়া তুমি—যদি ইচ্ছা হয়—মোৰে সৈতে আমাৰ ৰাজ্যলৈ যাব পাৰা।"

বিস্ময়ত অভিভূত হৈ মোহিনীয়ে ক'লে "মানুহৰ প্ৰকৃত সৌন্দৰ্য্য যে ভদ্ৰ ব্যৱহাৰ আৰু বিনম্ৰতা—তোমাৰ সান্নিধ্য পাই সেই কথা মই উপলব্ধি কৰিব পাৰিছোঁ।" এই বুলি কৈ, মোহিনীয়ে শৌৰ্য্যসেনক পুনৰ প্ৰণাম কৰিলে।



সাহসৰ জয়

সেৌ দূৰণিৰ পাহাৰটোক মানুহে ভূতৰ পাহাৰ বুলি কয়। যদিও পুৰাৰপৰা আবেলিলৈকে এই পাহাৰৰ ওপৰতো গৰু চৰি ফুৰা দেখা গৈছিল ; কিন্তু বেলিয়ে লাহ দিয়াৰ লগে লগে সেইবিলাক গৰু ক'ত যে নোহোৱা হৈ পৰিছিল, সেই ৰহস্যময় তথা ভৌতিকৰ কথাটো কোনেও ক'ব নোৱাৰে।

দূৰৰপৰা, এই ভূতৰ পাহাৰৰ ওপৰত এটা পঁজা ঘৰো দেখা গৈছিল, ঘৰটোৰপৰা ধোঁৱাও ওলাইছিল, কিন্তু কোনেও ঘৰটোৰপৰা ওলোৱা-সোমোৱা কোনো মানুহ কদাপি দেখা নাছিল। মানুহে কোৱাকুই কৰিছিল যে সেই পাহাৰত চৰিফুৰা গাইবিলাককো ভূতেই। নহ'লে গাইবিলাকক নিশ্চয় ভূতেই লৈ যায়। নহ'লেনো ক'লৈ যায় গাইবিলাক ?

এদিন সত্যপাল নামৰ যুৱক এজন এই ঠাইলৈ আহিল। সত্যপাল আছিল গৰু-ম'হৰ বেপাৰী। সি কেইদিনমান এইখন গাঁৱত থাকি সেই ভূতৰ পাহাৰৰ ঘটনালৈ লক্ষ্য কৰিবলৈ ধৰিলে। তাৰ পাছত সি এদিন ভূতৰ পাহাৰলৈ যাবলৈ মন মেলি তাৰ মনৰ ইচ্ছাৰ কথাটো গাঁৱৰ গৰখীয়াহঁতক ক'লে।

গৰখীয়াহঁতে সত্যপালক সাৱধান কৰি ক'লে, "তালৈ কোনোদিনে কোনো মানুহ যোৱা নাই, আৰু আমাৰ হাক-বচন নামানি যিহঁতে দুঃসাহস দেখুৱাই গ'ল, সিহঁত কদাপি উভতি অহা নাই, ৰহস্যময় গৰুহঁতৰ দৰে সিহঁতো অদৃশ্য হ'ল। এতেকে—তুমিও নাযাবা।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

তাৰ পাছত এদিন সাহিয়াল সত্যপাল ভূতৰ পাহাৰলৈ গ'ল।

আনকি সেই পঁজাঘৰটোৰ ভিতৰলৈ সোমাই যোৱাও দেখা গ'ল তাক। পাহাৰটো বৰ নিৰ্জন। ক'তো-কেনিও আনকি এটা চৰাইৰ মাতো নাই। একেবাৰে নিমাওমাও। কিন্তু সাহিয়াল সত্যপাল তথাপি একদম নদমিল। সি পঁজাঘৰটোৰ ভিতৰলৈ জুমি চালে। তাৰ পাছত গম্ভীৰ মাতেৰে ক'লে, "ভিতৰত কোন— ? কোন আছে তাত ?"

কিন্তু ভিতৰৰপৰা কোনেও উত্তৰ নিদিলে, কোনো শব্দ নুঠিল। অসীম নিৰ্জনতাই সত্যপালক সিঁয়াৰিলে মাথোন।

তেতিয়া সত্যপাল দুৱাৰ ঠেলি ঘৰৰ ভিতৰত সোমালগৈ। ঘৰৰ এচুকত খোৱাবস্তু আছিল। আন এচুকত আছিল খাট এখন। খাটৰ ওপৰত বিছনা পাৰি থোৱা আছিল। সত্যপালে বিছনাৰ ওপৰত বহি ভাবি থাকিল ঃ ইয়াত নিশ্চয় কোনোবা-কুমুৰি বাস কৰে। নিশ্চয় ক'ৰবালৈ পলাল। উভতি অহালৈকে ৰৈ চাওঁইচোন বাৰু কথানো কি আৰু কেনেকুৱা।

অলপ পাছত ঘৰৰ বাহিৰৰপৰা শব্দ

কিন্তু সত্যপাল বৰ জেদী। সি হেনো যাবই যাব সেই ভূতৰ পাহাৰলৈ, আৰু গৈ দেখুৱাই দিব যে জগতত ভূত বোলা আচলতে একো নাই, ভূত আছে মানুহৰ মনতহে।

তেতিয়া গৰখীয়াহঁতে তাক ক'লে, "যোৱাই যদি আমিনো বাধা দিব পাৰিমনে ? নোৱাৰিম। পিছে—পাহাৰত উঠিলেও পাহাৰত থকা সেই পঁজাঘৰটোত নোসোমাবাগৈ। আমাৰ কথা নামানি যিজনেই সোমাইছেগৈ, আকৌ কওঁ, সিহঁতৰ মাজত এজনো তাৰপৰা আৰু কেতিয়াও ওলাই আহিব পৰা নাই।"

উঠিল। আৰু তাৰ পাছত ধামধুমকৈ তুৰাৰ ঠেলি সোমাই আহিল দেখাত সাইলাখ ৰাক্ষসৰ দৰে এটা ওখ-পাখ মানুহ। মানুহটোৱে সত্যপালক ক'লে, "হেৰাহে, তুমি শুই আছা কেলেইনো? উঠা। জল্দি উঠা। খাই লোৱা। উঠা, উঠাচোন। ভাত-পানী খোৱাহি।"

আন কোনোবা হোৱাহেঁতেন এনে অৱস্থাত বেঙে মূতা গৰুৰ দৰে হৈ পৰিলহেঁতেন। কিন্তু সাহিয়াল সত্যপালে অলপো ভয় নাখাই ক'লে, "যিজনে পৰিশ্ৰম কৰি আহিছে তেৱেঁই ভাত-পানী খোৱা উচিত। মই শুইহে আছোঁ, গতিকে — খোৱাৰো কোনো ধৰণৰ আৱশ্যকতা মই নেদেখোঁ।"

এই কথা শুনি ৰাক্ষসৰ দৰে মানুহটোৱে খোৱাবস্তুখিনি চকুৰ পচাৰতে গিলি পেলালে। তাৰ পাছত তাৰ ঘৰত থকা কৰত, লোৰ শলা ইত্যাদি লৈ সত্যপালক ক'লে, "ব'লা, ব'লা। এইবোৰ লৈ ব'লাচোন মোৰ লগত। জল্দি জল্দি ব'লা, একদম পলম নকৰিবা।"

"মই ইয়ালৈ একো লৈ অহা নাছিলোঁ। গতিকে—মই একো লৈ নোলাওঁ ইয়াৰ-পৰা।" সাহিয়াল সত্যপালে নিৰ্ভীকভাৱে সেই মানুহটোক কথাবোৰ ক'লে।

"ঠিক আছে, তেনেহ'লেও ব'লা মোৰ লগে লগে।" মানুহটোৱে ক'লে।

"তুমি আগে আগে গৈ থাকা, মই তোমাৰ পিছে পিছে যাম।" সত্যাই ক'লে। অলপ দূৰলৈ গৈ সেই মানুহজনে সত্যপালক ক'লে, "হেৰাহে, ইয়াত জল্দিকৈ মাটি খান্দাচোন।"

"মইতো একো পুতি থোৱা নাই, তেনেহ'লেনো কিয় মাটি খান্দিম মই? নাখান্দো মই।" সত্যাই দৃঢ়ভাৱে ক'লে মানুহটোক।

ৰাক্ষসদেহীয়ে নিজেই মাটি খান্দিবলৈ ধৰিলে। অলপমান খন্দাৰ পাছত মাটিৰ

তলত এটা বিৰাট আকাৰৰ পাত্ৰ দেখা গ'ল। মানুহজনে সত্যপালক ক'লে, "পাত্ৰটো উঠোৱাচোন।"

"নুঠাওঁ, মই নোছোওঁ পাত্ৰটো।" সত্যপালে পুনৰ ক'লে।

মানুহজনে পাত্ৰটো দাঙি আনি পাত্ৰৰ ঢাকনি দাঙি দিয়াৰ লগে লগে সোণৰ মুদ্ৰা ওলাই পৰিল। সোণৰ মুদ্ৰাখিনি তিনি ভাগেৰে ভগাই মানুহজনে সত্যপালক ক'লে, "এই তিনিভাগৰ মাজত কোন ভাগ তোমাৰ ক'ব পাৰিবানে? যদি ক'ব পাৰা—তেনেহ'লে মই অভিশাপ-মুক্ত হ'ম, আৰু তুমি হ'বা বিৰাট ধনী মানুহ। ক'ব নোৱাৰা যদি— তোমাক এমুঠি ভস্মলৈ ৰূপান্তৰিত কৰি আন কোনোবালৈ বাট চাই ৰৈ থাকিম। আৰু মই যদি শাপমুক্ত হ'ব পাৰোঁ—তেনেহ'লে এই সোণৰ মুদ্ৰাখিনিৰ এভাগ হ'ব এই ঠাইৰ দুখীয়াহঁতৰ, এভাগ তোমাৰ, আৰু আন এভাগ মোৰ ইয়ালৈ আহি মৃত্যু হোৱাহঁতৰ পা-পৰিয়ালবৰ্গৰ।"

সত্যপালে এভাগ হাতেৰে স্পৰ্শ কৰি ক'লে, "এই ভাগ মোৰ।"

আৰু মুহূৰ্ততে সেই ৰাক্ষসদেহী এক গন্ধৰ্বলৈ ৰূপান্তৰিত হৈ পৰিল। গন্ধৰ্বই সত্যপালক ক'লে, "তোমাৰ পুণ্যবলেৰে মই অভিশাপমুক্ত হ'লোঁ। এই ঠাইৰ পাহাৰত থকা ধন-সোণ মণি-মুকুতা—সকলো এতিয়াৰপৰা তোমাৰ হ'ল।" এই বুলি সাহিয়াল সত্যপালক এই ঠাইৰ সকলো কথা বুজাই কৈ গন্ধৰ্ব তৎক্ষণাৎ অদৃশ্য হৈ পৰিল।

তাৰ পাছত সাহিয়াল সত্যপাল পাহাৰৰপৰা নামি আহিল, আৰু এই ঘটনাৰ কথা গাঁৱৰ সকলোকে ক'লে। তেতিয়াৰপৰা গাঁৱৰ মানুহো এই দূৰণিৰ পাহাৰলৈ যোৱা হ'ল, আৰু কালক্ৰমে 'ভূতৰ পাহাৰ' নামটোও গুচিল।

পশু-পক্ষী-কথা

উৰণীয়া কেৰ্কেটুৱা

পৃথিৱীৰ পৰিৱৰ্তিত অৱস্থাৰ সৈতে খাপ খুৱাই থাকিবপৰা ইতৰে তিষ্ঠি থাকিব পাৰে ; নোৱাৰাইতৰ অস্তিত্ব নোহোৱা হৈছে। পৃথিৱীৰ বিৱৰ্তনজনিত অৱস্থাৰ সৈতে খাপ খুৱাই চলিব পৰা প্ৰাণীৰ সংখ্যাও বৰ তাকৰ নহয়। উদাহৰণস্বৰূপে 'উৰণীয়া' কেৰ্কেটুৱাৰ কথা উল্লেখ কৰিব পাৰি। ইউৰোপ, আমেৰিকা আৰু উত্তৰ আমেৰিকাৰ বিভিন্ন অঞ্চলত সাতত্ৰিছ বিধৰ কেৰ্কেটুৱা পৰিলক্ষিত হয়।

এই কেৰ্কেটুৱাইত ওখ গছৰ ডালত বাস কৰে। কিছুমান বিৰাট আকাৰৰ চৰায়ে এই কেৰ্কেটুৱাইতক ধৰি খাবলৈ চেষ্টা কৰে। এই চৰাইবিলাকৰ কবলৰপৰা ৰক্ষা পাবলৈ কেৰ্কেটুৱাইত উৰি উৰি মাটিলৈ নামি আহে। ইইতৰ আগঠেং আৰু পিছঠেঙতো অসংখ্য নোম। উৰি থকা অৱস্থাত এই নোম প্ৰসাৰিত কৰি বিচনিৰ দৰে ব্যৱহাৰ কৰে।

ইইতে উৰণৰ আগতে কিমানদূৰলৈ উৰি যাব পাৰিব তাৰ উমান ল'ব পাৰে। মাটিলৈ নামি অহাৰ আগতে নেজডাল ওপৰমুৱাকৈ ধেনুভিৰীয়াকৈ দাঙি দিয়ে। ইইতৰ হাতোৰাত থকা ছাল উৰণৰ আগতে প্ৰসাৰিত কৰি লয়। এই ছাল থকা কাৰণেহে ইইতৰ গতিবেগ কম আৰু উৰণৰ ক্ষমতাও সীমাবদ্ধ। ইইতে ঘণ্টাই প্ৰতি মাত্ৰ ৬·৫ কিলোমিটাৰকৈহে উৰিব পাৰে। ইইতে দিনৰ ভাগত টোপনিয়ায়, ৰাতিৰ পৰতে খাদ্য বিচাৰি ওলায়।

ফিলিপাইনছ আৰু মালয়েছিয়াত দুবিধৰ উৰণীয়া কেৰ্কেটুৱা দেখা যায়। কেতিয়াবা ইইতৰ মেকুৰীৰ দৰে ডাঙৰ হয়। ইইত হাতোৰাত থকা নখ নিমজ ; দাঁত মিহি কিন্তু বৰ চোকা।

অষ্ট্ৰেলিয়াতে ঠিক এনেবোৰ কেৰ্কেটুৱা আছে। অষ্ট্ৰেলিয়াৰ কেৰ্কেটুৱাইতে সিইতৰ পোৱালিবিলাকক অষ্ট্ৰেলিয়াৰ কেঙাৰুৰ দৰেই পেটৰ লগত সাঙোৰ খাই থকা চামৰাৰ মোনাত ভৰাই লৈ ফুৰে।

আৰু লগতে ফৰহেন্স ফ্লোৰাইদ'এ
যোগায় সেই সুবিদিত
ফৰহেন্স যত্ন

FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

ফৰহেন্স ফ্লোৰোইদ। আলু সুদৃঢ় কৰে। দন্তছিদ্ৰ ৰোধ কৰে।

404 GM-183 ASM

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ ডিছেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : হৃদয় পোহৰ কৰি, দ্বিতীয় ফটো : স্মৃতি ৰাখিছে ধৰি

পুৰস্কাৰ পাওঁতা : শ্ৰীকুঞ্জকিশোৰ বৰুৱা, দেওহাটী (ভাতিপাৰা), অভয়াপুৰী।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। জাপানৰ কছমাবানোত ২। শ্ৰীলংকাৰ কাণ্ডিত ৩। গেলিলিঅ'
৪। ক্ৰীতদাস-প্ৰথা নিষিদ্ধ কৰাত উদ্যোগী হৈছিল ৫। ফিলিপাইনছত।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

NP

Dubbleyum

PRESENTS

A NEW WORLD OF LOVE & ADVENTURE
FUN & FROLIC!

Look for the LUCKY COUPON in NP Dubbleyum Packet

COLLECT

One latest comic book
for **12** lucky coupons
or
The latest edition of
Enid Blyton or
Mills & Boon novel
for **30** lucky
coupons

DOUBLE COLOURS
DOUBLE FLAVOURS
DOUBLE SIZE AND
BIGGER BUBBLES

NP Dubble yum
SOFT & JUICY BUBBLE GUM

The National Products
BANGALORE-32

NOTHING CAN BEAT A NP BURST OF FROLIC



মনটোৱে বেয়া বাবলুৰ আমাৰ
খেলা-ধুলা নহলে নচলে তাৰ
ৰোগৰ চিকাৰ হয়যে সি
অথীহঁত নাহে ওচৰ চাপি !

এনে সময়ত এক' কামলৈ আহে
লগে লগে সি অঁকাত লাগে
১২ বিধ ৰঙত আঁকে ভাটো, বান্দৰ,
বাবলু আনন্দিত হয় তাকে দেখি !

হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!

এক'
[illegible]চ পেন ৰঙৰ মজা ! আঁকা-আঁকিৰ ৰজা !